# Assam Legislative Assembly Debates

## OFFICIAL REPORT

EIGHTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS HELD UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## OCTO.-NOV. SESSION

VOL. XVIII
NO. 13

**The 18th November, 1977**

Price—Rs. 17·30

# CONTENTS

Octo/November Session
Volume XVIII. No. 13
Dated, the 18 th November 1977

| | | Page |
|---|---|---|
| 1. | Questions ... .. ... ... ... ... ... ... | 1 |
| 2. | Rulling from the chair ... ... ... ... ... ... | 54 |
| 3. | Miscellenous ... ... ... ... ... ... ... ... ... | 55 |
| 4. | Matter Under Rule 301 ... ... ... ... ... ... ... | 63 |
| 5. | Miscellaneous ... ... ... ... ... ... ... ... ... | 67 |
| 6. | Discussion Under Rule ... ... ... ... ... ... ... | 69 |
| 7. | Statement by Minister ... ... ... ... ... ... ... | 89 |
| 8. | Adjournment ... ... ... ... ... ... ... ... ... | 90 |

Proceedings of the eighteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

The house met in the Assembly Chamber, Dispur Gauhati on Friday. the 18th November, 1977 with the Hon. Speaker in the Chair, 11 (eleven) Ministers, 4 (four) Minister of State, 1 (one) Deputy Minister and 99 (ninety-nine) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 18th November, 1977

Mr. Speaker :—Now pending questions Nos. 144 & 145.

Shri Jagannath Sinha :—Sir, the hon'ble Minister stated that on 20th September, 1977 the Central Co-operative Banks were marged with the Assam Co-operative Apex Bank Ltd. May I know from the Minister how many employees of the Central Co-operative Banks were effected in this merger and how many have been retrenched ?

Shri Uttam Chandra Brahma (Minister, Co-operative) :—539 employees will be affected. But the question of final

absorption of the retrenched employees will be taken into consideration only when the final merger issue is settled.

Shri Jagannath Sinha :—The amalgamation has taken effect on 20th September, 1977 and after the amalgamation the Central Co-operative Banks and the Assam Co-operative Apex Bank have become a composite body and as a result of this the employees of the Central Co-operative Banks have become part and parcel of the Co-operative Apex Bank. So, in case of retrenchment whether the policy of first come last go and last come first go will be taken into consideration ?

Shri Uttam Chandra Brahma (Minister, Co-operative):—Yes Sir.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, ইতিমধ্যে চেণ্ট্ৰেল বেংকৰ কৰ্মচাৰী এপেক্স বেংকত মকবল কৰিছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—কিছুমানক মকৰলৰ কাৰণে নিৰ্ব্বাচন কৰা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—যদি কৰা হৈছে, কি ভিত্তিত কৰা হৈছে আৰু কিমানক কৰা হৈছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—আমাৰ এমালগেশান প্ৰগ্ৰেম মতে এপেক্স বেংকেচেণ্ট্ৰেল বেংকৰ কৰ্মচাৰীৰ পৰা ১৯৪ জন কৰ্মচাৰী ল'ব। কাক লব সেইটো নিৰ্ব্বাচন কৰিবৰ কাৰণে এখন চিলেকচন কমিটি কৰি দিয়া হৈছে। এই চিলেকচন কমিটিয়ে চিলেক্ট কৰি লব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে নিৰ্ব্বাচন কৰোতে কিছুমান ঠাই একেবাৰে বাদ পৰি গৈছে। আৰু চেণ্ট্ৰেল বেংকৰ হেড কোৱাৰ্টাৰত নিযুক্তি দিয়া কৰ্মচাৰীকহে মকৰলৰ বাবে নিৰ্ব্বাচন কৰা হৈছে। এইটোৱে যদি হয় এই কথাটো পুনৰ বিবেচনা কৰিব নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—এনেকুৱা অভিযোগ আহিলে আমি বিবেচনা কৰি চাম।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মোৰ এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কালি মন্ত্ৰীমহোদয়ে কৈছিল যে যিহেতুকে গ্ৰোৱাৰচ ডিপোজিটৰ টকা ঘূৰাই দিয়া হ'ব। এতিয়া এইটো কি অৱস্থাত আছে আৰু এইটো ঘূৰাই দিব পৰা হ'ব নে নহয়?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) ;—এমালগেমেশ্যনৰ বিষয়টো হাইকোৰ্টে ষ্টে কৰি ৰখাৰ কাৰণে সিদ্ধান্তত আহিব পৰা নাই। গ্ৰোৱাৰচ ডিপোজিটৰ টকাটো এতিয়াও চেণ্ট্ৰেল বেংকতে আছে।

শ্ৰীজগদীশ দাস : ইয়াত চিহ্নল কাষ্টৰ যি কেইজন ল'ৰা আছে সেই কেইজনকো দিয়াৰ ব্যৱস্থা কৰিব নে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—এইটো চাম।

শ্ৰীঅতুল শইকীয়া :—উচ্চ ন্যায়ালয়ৰ একত্ৰিকৰণ আদেশ অনুযায়ী বন্ধ ৰখা হৈছে। এই অৱস্থাত এই সমবায় বেংকবিলাক কোনে চলাইছে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী); আগতে চেণ্ট্ৰেল বেংকে যেনেকৈ চলাইছিল এতিয়াও তেনেকৈ চলাই আছে।

শ্ৰীঅতুল শইকীয়া :—তেখেতে কৈছে যে আগতে যেনেকৈ চলোৱা হৈছিল এতিয়াও তেনেকৈ চলি আছে। কিন্তু মই জানিব পাৰিছো যে তাত বোৰ্ড আছেনে? আৰু এই বোৰ্ডৰ চেয়াৰমেন কোন? কোনে এইবিলাক চলাই আছে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—চেণ্ট্ৰেল বেংকৰ নিজা অৰ্গেনাইজেশ্যন আছে আৰু সেইমতে চলাই আছে।

শ্ৰীঅতুল শইকীয়া :—এপেক্স বেংকৰ ব্ৰান্স মেনেজাৰবিলাকক চেয়াৰমেন কৰি ৰখা হৈছে নেকি?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—মাৰজাৰ কৰাৰ পিচত এপেক্স বেংকৰ ব্ৰান্স মেনেজাৰসকলক চেয়াৰমেন কৰি দিয়া হৈছে।

Shri Jagannath Sinha :—The Hon'ble Minister has stated that the Central Co-operative Banks and the Co-operative Apex Bank have become a composite body and in case of retrenchment in future the principle of first come last go and last come first go will be adopted. Now may I know from the Minister whether the past service of the employees who were so long in the service of the Central Co-operative Banks will be taken into consideration at the time of selection on the principle of first come last go and last come first go ?

Shri Uttam Chandra Brahma (Minister, Co-operative) :—When the finalisation of amalgamation issue is considered then the absorption of the employees will be surely considered.

Shri Jagannath Sinha :—Whether their past services will be counted ?

Shri Uttam Chandra Brhma (Minister, Co-operative) :—That point will also be taken into consideration.

Shri Dulal Chandra Barua :—What are the basic principles followed in respect of absorption of the employees ?

Shri Uttam Chandra Brahma (Minister, Co-operative) :—The principle adopted by the Board are seniority, efficiency etc. These are the two main points.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—এই গ্ৰোৱাৰচ ডিপোজিটবিলাক কি ধৰণে ৰখা হৈছে আৰু কি ধৰণে ব্যৱহাৰ কৰা হৈছে। এই ডিপোজিট ঘূৰাই দিওতে সুতসহ ঘূৰাই দিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) :—এইটো পিচত পৰীক্ষা কৰি ব্যৱস্থা লোৱা হ'ব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—সেইটো ক'ত ৰাখিছে ?

মিঃ স্পীকাৰ :—এইটো ক'লে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—মন্ত্ৰী মহোদয়ে কৈছে যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনু-যায়ী একত্ৰীকৰণ স্থগিত আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যিহেতু ১ তাৰিখৰ পৰা একত্ৰীকৰণ ফাইনেল হৈছিল, গতিকে চেণ্ট্ৰেল বেংকে এতিয়া কাম কৰি থাকিবনে নাথাকিব ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) :—আগৰ নিচিনাকৈয়ে কাম কৰি থাকিব।

শ্ৰীহাচিমুদ্দিন আহমেদ :—হাইকোৰ্টে ষ্টে কৰাৰ আগতে যিবিলাক কৰ্মচাৰী লোৱা হৈছে সেইবিলাক বাদ পৰিব নেকি ? ইয়াত যাতে কোনো ব্যতিক্ৰম নহয় তাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী) :—কোনো ব্যতিক্ৰম যাতে নহয় তাৰ ব্যৱস্থা কৰা হ'ব।

বি : শ্ৰীকেশৱ প্ৰসাদ সাহুৰ বিৰুদ্ধে অভিযোগ

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে :—

* ১৬০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসম চৰকাৰৰ পলিটিকেল ডিপাৰ্টমেণ্টৰ ডেপুটি চেক্ৰেটাৰীৰ পৰা

অসম সমবায় চেনি কল লিমিটেডৰ (বকৰা ৰামুনগাওঁ) মেনেজিং ডিৰেক্টৰলৈ চৰকাৰী নং পি, এল, এ, ৬৬৬।৭২।১৯৭ তাৰিখ ২৭।৫।৭৪ পত্ৰৰ দ্বাৰা মিলৰ চিফ একাউন্টটেন্ট শ্ৰীকেশৱ প্ৰসাদ সাহু কিছুমান সাংঘাতিক অনিয়ম, কৰ্ত্তব্য বিমুখতা, দুস্কৃতি আৰু দুঃচৰিত্ৰ গুণত লিপ্ত হোৱা হেতু তেওঁৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্য ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া সত্যনে ?

খ) যদি সত্য হয়, এই কৰ্মচাৰীজনৰ বিৰুদ্ধে কি কি বিভাগীয় ব্যৱস্থা লোৱা হ'ল ?.

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬০। (ক) ডেৰগাওঁ চেনি কলৰ মুখ্য গাণনিক শ্ৰীকেশৱ প্ৰসাদ সাহুৰ ওপৰত কিছুমান গুৰুতৰ অভিযোগ থকা বুলি অভিযোগৰ বিৱৰণসহ এখন গোপনীয় চিঠিৰে চেনি কলৰ পৰিচালনা সঞ্চালকক তেওঁৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্যবহ লবলৈ অনুৰোধ জনায়।

খ) বিভিন্ন তাৰিখত শ্ৰীকে, পি, সাহুৱে কেচিয়াৰৰ পৰা ৰচিদ দি নিজ কামৰ কাৰণে ১৮০০ টকা নিয়াৰ প্ৰমাণ আছে বুলি তদন্তকাৰী বিষয়াই তেওঁৰ ৰিপৰ্টত উল্লেখ কৰে। কাৰ্য্যকৰী কমিটিয়ে তেওঁক উক্ত টকা ১৯৭৬ চনৰ চেপ্তেম্বৰ মাহৰ ভিতৰত ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে। কিন্তু শ্ৰীসাহুৱে তেওঁ কোনো টকা ঘূৰাই দিব লগীয়া নাই বুলি আপিল কৰাত সেই আপিল সমিতিৰ বিবেচনাধীন হৈ আছে।

বাকী অভিযোগ তদন্তৰ ৰিপৰ্ট আৰু সংশ্লিষ্ট বিষয়সমূহ বিবেচনা কৰি কাৰ্য্য পৰিচালনা সমিতিৰ সদস্যসকলে মুখ্য গাণনিকজনে টকা আত্মসাত কৰা কথা বিশ্বাসযোগ্য নহয় বুলি স্থিৰ কৰে আৰু মুখ্য গাণনিকৰ কৰ্ত্তব্যৰ অৱহেলাৰ কাৰণে প্ৰথমবাৰৰ বাবে তেওঁক সাৱধানবাণী শুনাই ভৱিষ্যতৰ বাবে সতৰ্ক হ'বলৈ সকিয়াই দিয়ে।

বি: অসম সমবায় চেনিকলৰ পৰিচালনা সমিতিৰ সভাপতিৰ ভ্ৰমণ বানচ

শ্ৰীনগেন্দ্ৰ চন্দ্ৰ বৰুৱাই সুধিছে :—

* ১৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসম সমবায় চেনিকলৰ পৰিচালনা সমিতিৰ সভাপতিজনৰ ভ্ৰমণৰ বাবে ১৯৭২ চনৰ পৰা বৰ্ত্তমানলৈকে প্ৰতি বছৰে কিমান টকা ব্যয় হৈছে ?

খ) এখেতৰ ঘৰৰ পৰা চেনিকললৈ চেনিকলৰ গাড়ীৰে অহা-যোৱা কৰোতে ভ্ৰমণ বানচ হিচাপে প্ৰতিবাৰতে কিমান টকা দিয়া হয় আৰু সভাপতিৰ ভ্ৰমণৰ গাড়ীৰ প্ৰজ্বালকৰ খৰচ কোনে বহন কৰে ?

গ) চেনিকলৰ গাড়ীত ভ্ৰমণ কৰোতে সভাপতিজনক ভ্ৰমণ বানচ কিমান দিয়া হয় ?

ঘ) চেনিকলৰ গাড়ী থাকোতে সভাপতিজনক ঠিকা গাড়ীত ভ্ৰমণ কৰাটো কিয় দিয়া হয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১৮০। ক) ১৯৭১-৭২ চনৰ পৰা ১৯৭৭-৭৮ লৈকে সভাপতিজনক ভ্ৰমণৰ বাবে তলত দেখুওৱা ধৰণে টকা দিয়া হয় :—

| | |
|---|---|
| ১।৭।৭১— | ৮০১৬·০০ |
| ১৯৭১-৭২, | |
| ১৯৭২-৭৩— | ৯১৫৫·৪০ |
| ১৯৭৩-৭৪— | ৯০০০·২৫ |
| ১৯৭৪-৭৫ — | ৪০৭০·০০ |
| ১৯৭৫-৭৬— | ৭৩০০·০০ |
| ১৯৭৬-৭৭— | ৮৯৫০·০০ |
| ১৯৭৭-৭৮— | ২৭০০·০০ |

(১২।১০।৭৭) পৰ্য্যন্ত—

ইয়াৰ উপৰিও প্ৰথম ভাট্টাৰ বাবদ তলত দিয়া বিলৰ টকা সভাপতিয়ে পাব লগা আছে :—

| | |
|---|---|
| ১৯৭৪-৭৫— | ২১৬৮·৪৭ |
| ১৯৭৫-৭৬ — | ৮৬৭·৫০ |
| ১৯৭৬-৭৭— | ৬২৫২·৮০ |
| ১৯৭৭-৭৮— | ৬২৮৩·৩৩ |

( ১২।১০।৭৭ লৈকে )

খ)—চেনিকলৰ গাড়ীৰে ঘৰৰ পৰা চেনিকললৈ অহা-যোৱা কৰোতে সভাপতিক ভ্ৰমণ বানচ হিচাপে কোনো টকা দিয়া হোৱা নাই। চেনিকলৰ গাড়ীৰে অনা-নিয়া কৰিলে গাড়ী প্ৰজ্বালকৰ খৰছ চেনিকলেই বহন কৰে।

গ)—চেনিকলৰ গাড়ীত ভ্ৰমণ কৰোতে সভাপতিক ভ্ৰমণ বানচ দিয়া নহয়। চেনিকলৰ কামত দিনে ৮ ঘণ্টাকৈ বেছি ভ্ৰমণৰ অন্তৰ্গত থাকিলে দৈনিক ভাট্টা পায়। দৈনিক ভাট্টাৰ হাৰ শিৱসাগৰ জিলাৰ ভিতৰত ২০·০০(বিশ) টকা। অসমৰ অন্যবিলাক জিলাৰ ভিতৰত ৩০·০০ ( ত্ৰিশ ) টকা অৰু অসমৰ বাহিৰত ৪০·০০ (চল্লিশ) টকা। কাৰ্য্য পৰিচালনা কমিটিৰ সভাত যোগদান দিলে ২০·০০ (বিশ) টকা ভাট্টা পায়।

ঘ)— চেনিকলৰ নিজা গাড়ী চলাব নোৱাৰা অৱস্থাত থাকিলে অথবা চেনিকলৰ গাড়ী অন্য কামত ব্যৱহাৰ হৈ থকা অৱস্থাত সভাপতিয়ে ঘৰৰ পৰা মিললৈ অহাযোৱা কৰিবলগীয়া হ'লে অথবা অন্য ঠাইলৈ চেনিকলৰ কামত যাব লগা হ'লে ভাৰাগাড়ী ব্যবহাৰ কৰে। উক্ত ভাৰা চেনিকলে বহন কৰে।

শ্ৰীনগেন বৰুৱা :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত কৈছে যে, চিঠিখন পোৱাটো সত্য। এই চিঠিখনত চেনিকল কৰ্তৃপক্ষই জনোৱামতে কি কি অভিযোগ সেই বিষয়াজনৰ বিৰুদ্ধে আছিল ? আৰু

সেই অভিযোগ বিলাকৰ ওপৰত ভিত্তি কৰি কি শাস্তি বিধান কৰিবৰ কাৰণে নিৰ্দেশ দিয়া হৈছিল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—মই এই বিষয়ে কৈছোৱেই যে, এই গোটেই কথাবিলাক 'ব'ৰ্ড অব ডাইৰেক্টৰছে' বিবেচনা কৰি শাস্তিৰ যোগ্য নহয় বুলি সিদ্ধান্ত কৰে আৰু সেই কাৰণেই প্ৰথমবাৰৰ কাৰণে তেখেতক 'ওৱাৰ্ণিং' দিয়া হয়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—সেই বিষয়াজনৰ বিৰুদ্ধে ইয়াত যিখন চিঠিৰ উল্লেখ কৰা হৈছে তাত কি অভিযোগ সেই বিষয়াজনৰ বিৰুদ্ধে আছিল আৰু সেই অভিযোগবিলাকৰ ওপৰত ভিত্তি কৰি কি কি শাস্তি বিহা হৈছিল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—তাত পইছা লোৱাৰ অভিযোগ আছিল।

শ্ৰীনগেন বৰুৱা :—কিমান টকা ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—এক হেজাৰ আঠ শ টকা।

শ্ৰীনগেন বৰুৱা :—এই অফিচাৰজন একলাখ যোল্ল হাজাৰতকৈও বেছি টকা আত্মসাৎ কৰাৰ অভিযোগত অভিযুক্ত হৈছিল। এই কথাটো 'অডিটে' ধৰা পেলাইছিল। ভিজিলেন্স চেলত কেছটো প্ৰতিপন্ন হোৱাৰ পিছত ৰাজনৈতিক বিভাগলৈ এই কেছ প্ৰছেছিঙৰ কাৰণে প্ৰেৰণ কৰা হৈছিল। তাৰ পিছত সমবায় অনুষ্ঠানৰ কৰ্তৃপক্ষক বিহীত ব্যৱস্থা ল'বৰ কাৰণে নিৰ্দেশ দিয়া কথাটো সঁচানে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—তদন্ত কৰি ৰিপৰ্ট দিছে। বিভাগীয় তদন্তৰ পিছত চেনিকল কৰ্তৃপক্ষই একহেজাৰ আঠশ টকাৰ খেলিমেলি পোৱাৰ কাৰণে কাৰ্য্যকৰী কমিটিয়ে তেখেতক প্ৰথমবাৰৰ কাৰণে গুৰুতৰ শাস্তিৰ ব্যৱস্থা নকৰি ওৱাৰ্ণিং দিয়াৰহে ব্যৱস্থা কৰে।

শ্ৰীনগেন বৰুৱা :—সেই বিষয়াজনৰ বিৰুদ্ধে ‘অডিট ৰিপ’ৰ্ট’ পোৱাৰ পিছত ভিজিলেন্সচেলত দোষী সাব্যস্ত হোৱাত ৰাজনৈতিক বিভাগত কেছটো প্ৰছেছিঙ হৈ আছিল। তাৰ পিছত চেনিকল কৰ্তৃপক্ষই আকৌ কেনেকৈ এইটো তদন্ত কৰিবলৈ পালে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) :—দুৰ্নীতি নিবাৰণ বিভাগে তদন্ত আৰু পৰীক্ষা নিৰীক্ষা কৰি ব্যৱস্থা ল’বৰ কাৰণে চেনিকল কৰ্তৃপক্ষক অনুৰোধ কৰিছিল। চেনিকল কৰ্তৃপক্ষই তদন্তক্ৰমে ধৰা পেলায় যে সেই বিষয়াজনে একহেজাৰ আঠশ টকা ব্যয় কৰে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—ৰাজনৈতিক বিভাগে সকলো অনুসন্ধান কৰাৰ পিছত যিমান টকা অপব্যৱহাৰ কৰা হৈছিল তাৰ ওপৰত বিহিত ব্যৱস্থা ল’বৰ কাৰণে নিৰ্দেশ দিয়া হৈছিল। কিমান টকা ‘মিছ এপ্ৰ’পিয়েশ্যন’ হৈছে বুলি বিহীত ব্যৱস্থা ল’বলৈ দিছিল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—ৰচিদ নোলোৱাকৈ দৰ্মহা-বানচ আদিৰ টকা আত্মসাৎ কৰিছে বুলি অভিযোগ উঠিছিল। সেই মৰ্মে ব্যৱস্থা ল’ব লাগে বুলি অনুৰোধ কৰাত চেনিকলৰ কাৰ্যকৰী কমিটিয়ে তদন্ত কৰি কেছিয়াৰৰ পৰা ১ হেজাৰ ৮০০ টকা নিয়া বুলি ঠাৱৰ কৰে। সেই দোষতে ব’ৰ্ড অৱ ডাইৰেক্টৰ্ছে বিবেচনা কৰি প্ৰথমবাৰৰ কাৰণে কোনো শাস্তি নিবিহি ‘ওৱাৰ্ণিং’ দিবলৈ সিদ্ধান্ত লয় আৰু সেই মৰ্মেহে কাম কৰে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা ‘স্পেচিফিক’ প্ৰশ্ন। চিঠিখনৰ তাৰিখ পৰ্যান্তও দিয়া আছে। তাত কিমান টকা আত্মসাৎ কৰিছে বুলি উল্লেখ আছে আৰু তেখেতৰ বিৰুদ্ধে কি কি ব্যৱস্থা ল’ব লাগে বুলি কোৱা হৈছিল সেইটো কথা মন্ত্ৰী মহোদয়ে কিয় লুকুৱাবৰ কাৰণে চেষ্টা কৰিছে ? মেনেজিং কমিটিয়ে কি একশ্যন ল’লে সেইটো আমি বিচৰা নাই। কিমান টকা আত্মসাৎ কৰিছিল সেই গোটেই কথাটো জনাবৰ কাৰণে সেই চিঠিখন সদনত দাখিল কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই এইটো কৈছো যে, দুৰ্নীতি নিবাৰণ বিভাগে একলাখ চৌদ্ধ হাজাৰ ছয়শ নিৰান্নবৈৰ টকা আত্মসাৎ কৰা বুলি কৈছিল। আৰু বিভাগে 'বৰ্ড অব ডাইৰেক্টৰছ'ক ইয়াৰ ব্যৱস্থা ল'বৰ কাৰণে জনাইছিল। বৰ্ডে সকলোবিলাক কথা বিবেচনা কৰাৰ পিছত ইমান টকাৰ আত্মসাৎ নাই কৰা বুলি (হুলস্থুল হয়) অধ্যক্ষ ডাঙৰীয়া, মোক পৰিষ্কাৰ কৰি ক'বলৈ নিদিলে কেনেকৈ হ'ব। (ভইচঃ— চিঠিখন পঢ়ি দিয়ক)। চিঠিখন মোৰ হাতত নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, চিঠিখন নোহোৱাকৈ কেনেকৈ উত্তৰ দিছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মোক পৰিষ্কাৰকৈ ক'বলৈ নিদিয়ে কিয় ?

শ্ৰীসোনেশ্বৰ বৰা :—আপুনিও ভাগ চাগ লৈছে নেকি ?

মাননীয় অধ্যক্ষ :—তেনেকৈ নক'ব।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, আমি ভাগ চাগ নলওঁ। মাননীয় সদস্য বৰা ডাঙৰীয়াই লয় যদি ক'ব নোৱাৰো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, মই নিবেদন কৰিব খুজিছো আৰু তাৰ লগতে মন্ত্ৰী মহোদয়কো অনুৰোধ কৰিব বিচাৰিছো যে, চিঠিখনত স্পষ্ট নম্বৰ আৰু তাৰিখ দিয়া আছে। এইটো এটা স্পেচিফিক প্ৰশ্ন, আৰু তেখেতে ইয়াৰ উত্তৰ দিবলৈ আহিছে। গতিকে চিঠিখনৰ সাৰমৰ্মটো তেখেতে গম লৈ অহা হ'লে ভাল আছিল। আমি এইটো নাপালে প্ৰশ্নটোৰ উত্তৰ হ'বই নোৱাৰে। গতিকে চিঠিখনৰ সাৰমৰ্মটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, চিঠিখন মোৰ হাতত নাই।

মাননীয় অধ্যক্ষ :—আপোনাৰ হাতত কণ্টেকটো আছে নেকি ?

শ্রীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, চিঠিখন মোৰ হাতত নাই।

শ্ৰীসোনেশ্বৰ বৰা :—অধ্যক্ষ মহোদয়, যদি তেখেতে চিঠিখন পোৱাই নাই তেতিয়া হ'লে উত্তৰ কেনেকৈ দিছে ?

শ্ৰীনগেন বৰুৱা :—অধ্যক্ষ মহোদয়, মই আপোনাৰ প্ৰতেকচন বিচাৰিছো। মই এটা স্পেচিফিক প্ৰশ্নৰ উত্তৰ বিচাৰিছো। গতিকে চিঠিখন সদনত দাখিল কৰিলে ভাল হয়।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, দুৰ্নীতি নিবাৰণ বিভাগে অনুসন্ধান কৰি ১৪,৬৯৯ টকা আত্মসাৎ কৰা বুলি কৈছে। আৰু সেই টকাখিনিৰ কাৰণে ব্যৱস্থা ল'বলৈ ইতিমধ্যে চেনিকল কৰ্ত্তৃপক্ষক তেওঁ লোকে জনাইছে। সেই মৰ্মে চেনিকলৰ ব'ৰ্ড অব ডিৰেক্টৰ গোটেই বিষয়টো পৰীক্ষা কৰি দেখিলে যে কথাটো সেইটো নহয়, এইটো ১৮০০ টকাহে। ব'ৰ্ড অব ডিৰেক্টৰে আলোচনা কৰি দেখিলে যে, প্ৰথমবাৰৰ কাৰণে তেখেতক দোষী সাব্যস্ত নকৰি ওৱাৰ্ণিং দিলেই হ'ব। গতিকে চৰকাৰৰ পৰা কৰিব লগা একো নাই।

শ্ৰীনগেন বৰুৱা :—অধ্যক্ষ মহোদয়, পলিটিকেল ডিপাৰ্টমেণ্টে এক্‌চন লৈছে কিন্তু মন্ত্ৰীমহোদয়ে কৈছে চৰকাৰৰ কৰিবলৈ একো নাই। এইটো ক'লেই হ'ব নেকি ? মই এটা স্পেচিফিক প্ৰশ্ন কৰিছিলো। তেখেতে চিঠিখনৰ বিষয়ে নকৈ চালে-বেৰে কোবাই ফুৰিছে। চিঠিখনৰ ওপৰত কি ব্যৱস্থা লৈছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, অভিযোগটো আছিল কুঁহিয়াৰৰ খৰচ দেখুৱাই বচিদ নাৰাখিছিল। তাৰ ফলত ১লাখ ২,১২০ টকা আত্মসাৎ কৰিছিল, আৰু কৰ্মচাৰীৰ দৰমহা, বানচ আদিৰ নামত ১৪,৬৯৯ টকা আত্মসাৎ কৰিছিল আৰু সেই অভিযোগ মৰ্মে দুৰ্নীতি বিভাগে চেনিকলৰ কৰ্ত্তৃপক্ষক জনাইছিল। ব'ৰ্ড অৱ ডিৰেক্টৰে এইটো পৰীক্ষা কৰি চাই দেখিলে যে, সাহুক শাস্তি নিদি প্ৰথমবাৰৰ বাবে সাৱধানবাণী দি সতৰ্ক কৰি দিয়াৰ ব্যৱস্থা ল'লে।

মৌলানা আব্দুল জলিল চৌধুরী :—অধ্যক্ষ মহোদয়, এটা একটা দুর্নীতি বিষয়ক প্রশ্ন এবং দুর্নীতি নিবারন আমদের নীতি। কিন্তু এক্ষেত্রে মাননীয় প্রশ্ন-কর্তার কথায় বোঝা যায় যে এই অফিসার ১ লাখ ১৬ হাজার টাকা আত্ম-সাৎ করেছেন, অথচ মাননীয় মন্ত্রীর কথায় যারা এ বিষয়ে পরীক্ষা-নিরীক্ষা করেছেন তারা বলেছেন মাত্র ১৮০০ টাকা। এখন আবার মন্ত্রী মহোদয় বলছেন ১৪০০ হাজার টাকা। সুতরাং মাননীয় মন্ত্রী মহোদয়ের পরস্পর বিরোধী কথায় এ বিষয়ে যথেষ্ট সন্দেহের অবকাশ আছে। তাই আমি জানতে চাই এই ১ লাখ ১৬ হাজার টাকার অভিযোগটি কোন ভিত্তিতে পরীক্ষা করে ১৪ হাজার বা ১৮০০ টাকায় স্থির করা হয়েছে।

শ্রীউত্তম চন্দ্র ব্রহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, অভিযোগটো আছিল ১ লাখ ২,১২০ টকাৰ। কিন্তু তদন্ত কৰি বিভাগীয় কৰ্তৃপক্ষই এইটো ১৮০০ টকা বুলিহে তেওঁলোকে পাইছে।

শ্রীহুলাল চন্দ্র বৰুৱা :—অধ্যক্ষ মহোদয়, তদন্ত কোনে কৰিলে? আমি জনাত পলি-টিকেল বিভাগে যিখন চিঠি দিছিল তাত ১ লাখ কিমান টকাৰ হিচাব দিছিল, আত্মসাৎ কৰা বুলি। আৰু সেইটোৰ ওপৰত একশন লবলৈ দিছিল। কিন্তু বৰ্ড অব ডিৰেক্টৰে কি ভিত্তিত দোষী নহয় বুলি কবলৈ পালে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্রীউত্তম চন্দ্র ব্রহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, অভিযোগটো আছিল ১ লাখ ২,১২০ টকাৰ। কিন্তু বিভাগীয় তদন্ত কৰি পোৱা গ'ল ১৮০০ টকা বুলি।

শ্রীনগেন বৰুৱা :—অধ্যক্ষ মহোদয়, বিভাগীয় তদন্ত কোনে কৰিলে?

মৌলানা আব্দুল জলিল চৌধুরী :—এই তদন্ত করার ভিত্তি কি? এবং কেবল ভিত্তিতে লক্ষ টাকা কমে এসে ১ হাজার ৮ শত টাকায় পরিণত হ'ল।

(গোলমাল উত্তৰ নাই)

মৌলানা আব্দুল জলিল চৌধুরী ঃ—অধ্যক্ষ মহোদয়, আমি পরিষ্কার জবাব চাই যে এই ১ লাখ ১৬ হাজার টাকার অভিযোগ কমিয়ে এনে ১৪হাজার টাকা কি ভাবে করা হলো এবং তা কোন ভিত্তিতে করা হয়েছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কি শুনিলে ক'ব নোৱাৰিলো । অভিযোগটো আছিল ১ লাখ ২১২০ টকাৰ । কিন্তু বিভাগীয় তদন্তৰ পাছত পালেগৈ ১৮০০ টকা ।

শ্ৰীগৌৰিশংকৰ ভট্টাচাৰ্য্য ঃ—অধ্যক্ষ মহোদয়, যিটো সমবায় লিমিটেড চেনিকলা আছে আৰু তাত যি চ'ছাইটি আছে তাত দুৰ্নীতৰ অভিযোগ উঠিছিল আৰু চৰকাৰক জনাইছে যে, ইয়াত লাখ লাখ টকাৰ দুৰ্নীতি কৰিছে । সেই দুৰ্নীতিত স্বয়ং চিফ একাউণ্টচ অফিচাৰো লিপ্ত আছে । সেই বিষয়ে চৰকাৰৰ পলিটিকেল বিভাগে তদন্ত কৰি ১ লাখ ২১২০ টকা পৰ্য্যন্ত আত্মসাত হৈছে বুলি কেইজন স্পেচিফিক মানুহৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লবলৈ নিৰ্দেশ দিছে । তাৰ পাছত চ'ছাইটিৰ মানুহকেইজন বহি ক'লে যে, ইমান নহয়, ১৪০০০ তাৰ পাছত ক'লে ১৮০০ । গতিকে টকাটো বেছি নহয়, এটা ওৱাৰ্ণিং দি থোৱাই ভাল । অৰ্থাৎ চেনিকল কৰ্তৃপক্ষই নিজেই আলোচনা কৰি, যিজন মুখ্য হিচাব পৰীক্ষকে ১ লাখ ২১২০ টকা আত্মসাৎ কৰিলে তেখেতকে এইটো এটা সৰু কথা বুলি কোৱাতো হয়নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) ঃ—বিভাগে তদন্ত কৰিছে—কিন্তু বিভাগীয় কোনজন বিষয়াই তদন্ত কৰিছিল—সেইটো ৰিপৰ্ট মোৰ হাতত নাই । কিন্তু ৰেকৰ্ড মই দেখিছিলো । বিভাগীয় চেনিকল বিষয়াই তদন্ত কৰিহে এই সিদ্ধান্ত লৈছে আৰু তাৰেই পৰিণতি হিচাপে যিটো অভিযোগ আনিছে ১ লাখ ২ হেজাৰ টকা আত্মসাৎ কৰা বুলি সেইটো আত্মসাৎ নহয়—তাৰ বিপৰীতে ১ হেজাৰ ৮০০ টকা মাত্ৰ কেচিয়াৰৰ পৰা লৈছিল বুলিহে অভিযোগ পাইছো । এইটো বৰ্ড অব ডিৰেক্টৰে আলোচনা কৰাৰ পাছত এইটো গুৰুতৰ অভিযোগ নহয় বুলি কৈছে—কিন্তু প্ৰথমবাৰৰ বাবে তেওঁক সতৰ্ক কৰি দিয়া হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—ছাৰ, মই আৰু শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই এই প্ৰশ্নটো সদনত বাৰে বাৰে উত্থাপন কৰিছিলো আৰু তেতিয়া এই ১লাখ ২ হেজাৰ টকাৰ চিঠিখন পোৱা নাই বুলি উত্তৰ দিছিল— কিন্তু এতিয়া এইটো ক'ব পৰা ওলাল ? ব'ৰ্ড অৱ ডিৰেক্টৰে প্ৰটেক্‌শ্যন দিছে বুজি পাইছো—কিন্তু মন্ত্ৰীজনে কিয় প্ৰটেক্‌শ্যন দিব বিচাৰিছে—সেইটো বুজিব পৰা নাই গতিকে এতিয়া সেই চিঠিখন হাউচত স্পেচ কৰিব লাগে।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) :—অভিযোগ ঠিকেই আছে ১ লাখ ২ হেজাৰ ১২০ টকা আৰু এটা হৈছে ১৪ হেজাৰ ২০০ টকা—এইটো বিভাগে তদন্ত কৰিছে আৰু চেনিকলৰ ব'ৰ্ড অফ ডিৰেক্টৰে গুৰুতৰ অভিযোগ নহয় বুলি স্পষ্ট কৰি দিছে আৰু গোটেই কথা বোৰ্ড অৱ ডিৰেক্টৰত আলোচনা কৰিছে। ব'ৰ্ড অৱ ডিৰেক্টৰৰ বেছিভাগেই সিদ্ধান্ত লৈছে যে তেওঁ দোষী নহয়—সেই কাৰণে তেওঁক প্ৰথমবাৰৰ বাবে সতৰ্কবাণী কৰি দিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এইটো চৰকাৰে অডিট কৰি হিচাববিলাক পৰীক্ষা কৰি চাইছে, তাৰ পাছত দুৰ্নীতিক প্ৰশ্ৰয় দিয়া প্ৰমাণিত হৈছে। তাৰ পাছত এই খবৰ পলিটিকেল বিভাগলৈ অহাত পলিটিকেল বিভাগে পুনৰ অনুসন্ধান চলাই পৰীক্ষা কৰিলে, তেতিয়া এই মানুহজন দুৰ্নীতিত লিপ্ত হোৱা বুলি প্ৰমাণিত হৈছে। গতিকে প্ৰমাণিত হোৱাৰ পাছত তেওঁক দোষী সাব্যস্ত কৰি তেওঁৰ বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ চিঠি পঠিয়াইছে। তাৰ পাছত কি যুক্তিত ব'ৰ্ড অৱ ডিৰেক্টৰে দোষী নহয় বুলি কৈছে—সেইটো মেম্বাৰ সকলে জানে। গতিকে চৰকাৰে অডিট কৰাৰ পাছত দোষী সাব্যস্ত হোৱাৰ পাছত কেনেকৈ নিৰ্দোষী বুলি ক'ব পাৰে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) :—দুনীতি নিবাৰণ বিভাগে এই অভিযোগ কাৰ্য্যকৰী ব্যৱস্থাৰে গ্ৰহণ কৰাৰ কাৰণে গোপনে চিঠি আনি চেনিকল কৰ্তৃপক্ষক জনাইছে আৰু চেনিকল কৰ্তৃপক্ষই সেইখিনি টকা নহয় বুলি কৈছে আৰু ১ হেজাৰ ৮০০ টকা বুলিহে স্পষ্ট কৰি দিছে। এই কথাখিনি ব'ৰ্ড অৱ ডিৰেক্টৰত আলোচনা কৰি সিদ্ধান্ত কৰি দিছে।

শ্ৰীজানকী সন্দিকৈ ঃ—মন্ত্ৰী গৰাকীয়ে প্ৰথমতে কৈছে ১ হেজাৰ ৮০০ টকা— এই উত্তৰত গোটেই মেম্বাৰসকলে এজিটেড কৰিছে ২ লাখ ১৪ হেজাৰ টকা। গতিকে অধ্যক্ষ মহোদয় আপুনি চাওক আমি বুজিবলৈ বাকী নাই যে মন্ত্ৰী গৰাকীয়ে গোটেই কথাটো কেনেকৈ ঢাকি ৰাখিব বিচাৰিছে আৰু সেই কাৰণে এক্টো কথাকে কৈ আছে। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিছাৰিছো যে এইবিলাক কথা ঢাকি নাৰাখি চিঠিখন সদনত দাখিল কৰিব লাগে।

Shri Jagannath Singh :—Sir, may I know specifically from the Minister who was the enquiring officer against these charges of Shri Keshab Shahu and what was his specific recommendation for taking disciplinary action against this officer ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( সমবায় বিভাগৰ মন্ত্ৰী ) ঃ—চেনিকল কৰ্তৃপক্ষই কোনজন অফিচাৰৰ দ্বাৰা তদন্ত কৰিছে—সেইজনৰ নাম মোৰ মনত নাই। কিন্তু স্পেচিফিক ৰিকমেণ্ডচনত তেওঁলোকে কৈছে মাত্ৰ ১ হেজাৰ ৮০০ টকা।

**Re : Traffic Police**

Shri Bishnu Prasad asked :—

* 161. Will the Chief Minister be pleased to state—

The number of Traffic Police in 1950 and number of Traffic Police in 1975-76 ( Figures may be shown District-wise ) ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

161.—In 1950 — Nil.

In 1975-76 — 1023.

| | | | |
|---|---|---|---|
| 1. | Kamrup District | | 418 |
| 2. | Goalpara | ,, | 83 |
| 3. | Darrang | ,, | 36 |
| 4. | Nowgong | ,, | 132 |
| 5. | Sibsagar | ,, | 139 |
| 6. | Dibrugarh | ,, | 116 |
| 7. | Lakhimpur | ,, | 6 |
| 8. | Cachar | ,, | 78 |
| 9. | North Cachar Hills | ,, | Nil |
| 10. | Karbi Anglong | ,, | 15 |

Shri Bishnu Prasad :—Sir, considering the vastness of the Gauhati city will the Government consider to increase the number of Traffic Police ?

Shri Sarat Chandra Sinha (Chief Minister) :—Yes Sir, Government will consider the matter and see what can be done in this regard.

Re : Inspection and Quality Control Circle of Irrigation Department

Shri Gaurisankar Bhattacharyya asked :—

* 162. Will the minister, Irrigation be plesed to state—

What are the present functions of Quality Control and Inspection Branch of Irrigation Department, Assam ?

Shri Lakshya Nath Doley ( Minister, Irrigation ) replied :—

162 —A copy defining the duties and functions of the

Inspection and Quality Control Circle, Irrigation Department is placed on the Table of the House.

Re : S. I. of Supply of Silchar

Shri Abdul Hamid Mazumdar asked :—

*163. Will the Minister, Supply be pleased to state—

a) Whether it is fact that there is one Sub-Inspector of Supply named Shri Lakheswar Hazarika, stationed at Silchar since 10/11 years ?

b) If so, how the said officer has been allowed to stay in the same place against existing principle of Government relating to transfer and posting of Government Officials ?

Shri Gajen Tanti (Minister, Supply) replied :—

163. (a)—Shri Lakheswar Hazarika, Sub-Inspector of Supply had been serving at Silchar since 4th September, 1970 and he has been transferred and posted to Tezpur in September, 1977 and he has since been released by Deputy Commissioner, Cachar on 31st October 1977.

b)—The Sub-Inspector of supply was retained there in the public interest.

Shri Abdul Muktadir Choudhury :—Sir, will the Minister-in-charge be pleased to state whethere there is any officer who is serving in a particular place for more than 10 years ?

Shri Gajen Tanti ( Minister, Supply ) :—Yes, Sir, there is specifically one at Silchar.

Shri Jagannath Sinha :—Sir, is it a fact that Shri Hazarika deal with cement, and could not give cement to the users due to scarcity of cement.

Shri Gajen Tanti ( Minister, Supply ) :—Sir, I have no such information.

বিঃ টিপং বনাঞ্চলৰ কাঠৰ কুপ দিয়া অনুজ্ঞা পত্ৰ

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :—

* ১৬৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

ক) ইষ্টাৰ্ন ফৰেষ্ট কনট্ৰেকটাৰ এছ'চিয়েচনৰ ( Eastern Forest Contractor Association ) ডিগবৈ সম্পাদকৰ পৰা ডিগবৈ বন সংমণ্ডলৰ ১ৰ পৰা ৩ নম্বৰ কুপকেইটা অনভিজ্ঞ প্ৰতিষ্ঠান এটাক কাঠ কাটিবলৈ অনুজ্ঞা পত্ৰ দিয়াত আপত্তি জনোৱা আবেদন পাইছে নেকি ?

(খ) যদি পাইছে চৰকাৰে কি ব্যৱস্থা লৈছে ?

ডঃ সুৰেন্দ্ৰ নাথ দাস ( বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১৬৪। (ক)—পূৰ্ব্বাঞ্চল কাঠ ব্যৱসায়ী সন্থা ডিগবৈৰ সম্পাদকৰ পৰা টিপং বনাঞ্চলৰ ১ৰ পৰা ৩নম্বৰ কাঠৰ কুপকেইটা ইং ১৯৭৪-৭৫ চনত ইষ্টাৰ্ণ লাম্বাৰৰ ( Eastern Lumber ) নামৰ এটা প্ৰতিষ্ঠানক বন্দৱস্তী দিয়াত আপত্তি দৰ্শাই লিখা এখন চিঠি পোৱা হৈছিল। ইষ্টাৰ্ণ লাম্বাৰৰ (Eastern Lumber )।

প্ৰতিষ্ঠান হিচাপে নতুন হ'লেও তাৰ অংশীদাৰসকলৰ এজন ডিগবৈ সংমণ্ডলৰ লব্ধপ্ৰতিষ্ঠা কাঠ ব্যৱসায়ী, আনজন বন বিভাগৰ উচ্চতম প্ৰশিক্ষণ প্ৰাপ্ত চৰকাৰী চাকৰি স্ব-ইচ্ছাই এৰি যোৱা প্ৰাক্তন বন বিষয়া। সেয়ে এই বন্দৱস্তী পোৱা প্ৰতিষ্ঠানটো অনভিজ্ঞ নহয়।

(খ) পূৰ্ব্বাঞ্চল কাঠ ব্যৱসায়ী সন্থাৰ সম্পাদকৰ আপত্তি দৰ্শাই লিখা চিঠিৰ ওপৰত কোনো ব্যৱস্থা লব লগা আছে বুলি চৰকাৰে ভবা নাই।

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী):—অধ্যক্ষ মহোদয়, উক্ত প্ৰশ্নকেইটাৰ উত্তৰত আপোনাৰ অনুমতি সাপেক্ষে মই এইখিনি কথাও ক'ব খুজিছো যে যোৱাকালি মই জানিব পাৰিছো এই সম্পৰ্কত হাইক'ৰ্ট কৰিছে আৰু বৰ্ত্তমান সেই কেছটো চলি আছে। সেই হিচাপে আপোনাৰ অনুমতি অনুক্ৰমে মই মাননীয় সদস্য গৰাকীক যিখিনি জনাব লাগে জনাম।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—অধ্যক্ষ মহোদয়, হাইক'ৰ্ট কৰা নকৰা কথাটো বিধান সভাত অহা নাই। কথা হৈছে এই কুপটো যিটো অনুষ্ঠানক দিয়া হৈছে সেই অনুষ্ঠানটো ফৰেষ্ট বিভাগৰ দ্বাৰা অনুমোদিত অনুষ্ঠান হয় নে নহয়? আৰু ইয়াৰ আগতে এই কুপটোৰ বাবে টেণ্ডাৰ কল কৰা হৈছিল নে নাই? এইবাৰ যাক দিয়া হ'ল সেইজন আনি ৰেজিষ্টাৰ্ড, আন এপ্ৰুভ মানুহ আৰু তেওঁক মনে মনে দিয়া কথাটো সঁচানে?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী):—অধ্যক্ষ মহোদয়, এই বিষয়ে ক'ব লাগিলে মই অলপ বহলাই ক'ব লাগিব।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—অধ্যক্ষ মহোদয়, বহলাই কোৱাৰ একো আৱশ্যক নাই, মোৰ প্ৰশ্ন দুটা হৈছে এই কুপটো যিটো অনুষ্ঠানক দিয়া হ'ল সেইটো ফৰেষ্ট বিভাগৰ এপ্ৰুভদ লিষ্টত আছে নে নাই? দুই নম্বৰ প্ৰশ্ন হ'ল এই কুপটো পট্টন দিয়া হ'ব বুলি আগতীয়াকৈ জাননী দিয়া হৈছিল নে নাই।

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী):—টেণ্ডাৰ কল কৰা হৈছিল, কিন্তু যঁত

কুপটো আছিল তাত বাস্তা নোহোৱাৰ কাৰণে মানুহজনে টেণ্ডাৰ উঠাই লব খুজিলে অন্যথাই তেওঁ তিনি বছৰ সময় দিব লাগে বুলি ক'লে। বিভাগে তিনি বছৰ সময় নিদিয়াত তেওঁ টেণ্ডাৰ উঠাই ল'লে।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—বি টেণ্ডাৰ কল কৰা হৈছিল নে নাই ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—নাই।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—'ইষ্টাৰ্ণ লাম্বাৰটো' ফৰেষ্ট বিভাগৰ ৰেজিষ্টাৰ্ড কণ্ট্ৰেক্টৰ হয় নে নহয় ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিছাৰিছো যে এই প্ৰতিষ্ঠানটো ফৰেষ্ট বিভাগৰ ৰেজিষ্টাৰ্ড অনুষ্ঠান হয় নে নহয় আৰু টেণ্ডাৰ কল কৰা হৈছিল নে নাই ? যদি হৈছিল তেন্তে কিমান টকাৰ টেণ্ডাৰ দিয়া হৈছিল ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বনবিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মোৰ হাতত থকা ৰিপৰ্টৰ মতে ডি, এফ, অ' আৰু চি.চি, এফৰ নিৰ্গ চিয়েচনৰ মতে এইটো কৰা হৈছে আৰু ইষ্টাৰ্ণ লাম্বাৰক দিয়া হৈছে কাৰণ তেওঁলোকে ইয়ালৈ যোৱা যিটো ৰাস্তা সেইটো কৰি দিম বুলি কৈছে।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—আন ৰেজিষ্টাৰ্ড অনুষ্ঠান এটাক কোনো টেণ্ডাৰ কল নকৰাকৈ প্ৰাইভেট নিৰ্গচিয়েচন কৰি বন্দৱস্তী দিয়া হৈছে কথাটো সঁচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী):—'ইষ্টাৰ্ণ লাম্বাৰক' ৰাস্তাটো কৰিবলৈ দিয়া হৈছে।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য :—আগেয়ে মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে সেইটো সঁচা নেকি ? প্ৰতিষ্ঠান আৰু অনুষ্ঠান হিচাপে 'ইষ্টাৰ্ণ লাম্বাৰ' প্ৰতিষ্ঠানটো ৰেজিষ্টাৰ্ড যে নহয় সেইটো মিছানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—মই নহয় বুলি কৈছো চাৰ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—কুপ দিয়াৰ আগতে হ'ল নে পিছতহে হৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—আগেয়ে ৰেজিষ্টাৰ্ড বুলি মই জানো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—কোন তাৰিখে কুপটো দিয়া হৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—২।১।৭৫ তাৰিখে চেটেলমেণ্ট দিয়া হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—মই জনাত, চেটেলমেণ্ট দিয়া সময়ত এই প্ৰতিষ্ঠানটো বন বিভাগৰ দ্বাৰা ৰেজিষ্টাৰ্ড নাছিল, সঁচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—চাৰ, এঘণ্টাৰ পিছত মই জানিবলৈ দিম ?

শ্ৰীমতী তৰুলতা বৰা :—এই প্ৰশ্নৰ সংক্ৰান্তত মই এটা পৰিপূৰক প্ৰশ্ন সুধিব খুজিছো যে মই জনামতে কোনো ৰাস্তা নোহোৱাকৈ আৰু কোনো টেণ্ডাৰ কল নকৰাকৈ ইষ্টাৰ্ণ লাম্বাৰক এই কুপটো দিয়া হৈছে আৰু প্ৰাইভেট নিগচিয়েচন কৰি আমাৰ বন বিভাগৰ মুখ্য বন সংৰক্ষক (চি, চি, এফ) ৰ ভায়েকক এই কুপটো দিছে যাৰ ফলত চৰকাৰৰ ১০ ৰ পৰা ১২ লাখ টকা লোকচান হৈছে—কথাটো সঁচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—ইয়াৰ দুজন মালিক আছে—এজন হৈছে শ্যামসুন্দৰ চৌধুৰী ডিগবৈ, আৰু আনজন হৈছে ছিৰাজমল, মাৰ্ঘেৰিটা।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—অধ্যক্ষ মহোদয়, কোনোবা এজন চি, চি, এফৰ সম্পৰ্ক থকা (মাননীয় সদস্যা গৰাকীয়ে ভায়েক বুলিয়েই কৈছে) কথাটো সঁচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই নামটো জানো, কিবা সম্পৰ্ক হয় নে নহয় নাজানো।

শ্রীতুলাল চন্দ্র বৰুৱা :—বন বিভাগত কাম কৰিছিল নে নাই ?

ডাঃ সুৰেন্দ্র নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্রী) :—কৰিছিল।

শ্রীদুলাল চন্দ্র খাউণ্ড :—অধ্যক্ষ মহোদয়, এই কথা সঁচানে যে এই কুপটো আগতে টেণ্ডাৰ কল কৰা হৈছিল আৰু তাৰ পিছত চৰকাৰে উইড্র কৰিছে আৰু ৰি টেণ্ডাৰ নকৰাকৈ নিগোচিয়েছন কৰি এওঁলোকক কিয় দিয়া হ'ল ? আৰু আগৰবাৰত টেণ্ডাৰ দিয়া লোক কেইজন আছিল ?

ডাঃ সুৰেন্দ্র নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্রী) :—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ৰিটেণ্ডাৰ কৰা হোৱা নাছিল। ৰাস্তাৰ কাৰণে যিখিনি টকা লাগে সেইখিনি টকা নোপোৱা কাৰণে আগতে পোৱা লোকসকলে এই কুপত কাম নকৰিলে আৰু ৰাস্তাও নহ'ল। এই সকলো দিশ বিবেচনা কৰি এই কাম কৰা হৈছে।

শ্রীমতী তৰুলতা বৰা :—মই এই প্রশ্নটোৰ মুখ্যমন্ত্রী মহোদয়ৰ পৰা উত্তৰ বিছা-ৰিছো এই যিখন স্মাৰকপত্রৰ কথা উত্তৰত কৈছে মন্ত্রী মহোদয়ে সেই স্মাৰক-পত্র মুখ্যমন্ত্রী মহোদয়কো দিয়া হৈছিল কিন্তু তেখেতে এই বিষয়ে ব্যৱস্থা নোলোৱাৰ কাৰণে চৰকাৰে ১০—১২ লাখ টকা লোকচান ভৰিবলগীয়া হৈছে আৰু হাইক'টলৈ যাবলগীয়া হৈছে ?

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্যমন্ত্রী) :—উত্তৰটো মুখ্যমন্ত্রীয়ে কেনেকৈ দিব কিবা স্মাৰক পত্র দিছে বিভাগীয় মন্ত্রীক দিছো।

Shri Jagannath Sinha :—Sir, whether this is a fact that the hon'ble Minister earlier stated that the tender had to be recalled because of previous tenderer refused to do it since there was no road. So he made an opinion that if the coupe is settled for three years he would accept it. Now whether this is a fact that this Eastern Forest

Contractor Association has been given settlement for three years ?

ডাঃ স্নুৰেন্দ্ৰ নাথ দাস (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—মই আগতে কৈছো, তেওঁলোকে তিনি বছৰ সময় খুজিছিল নহ'লে ৰাস্তাটোৰ গছ কাটিবলৈ কৈছিল। তেতিয়া আমাৰ বিভাগে সেইটো কৰিব নোৱাৰিলে কাৰণে টেণ্ডাৰ উইড্ৰ কৰা হ'ল।

Re : Police Officer residing in rented house

Shri Abdul Muqtadir Choudhury asked :—

*165. Will the Chief Minister be pleased to state— The nmber of S. D. P. O., Dy. S. P., Addl. S. P. and other Police Officers residing in rented houses ? (Figure to be shown District-wise).

Shri Sarat Chandra Sinha ( Chief Minister ) replied :—

165.—A statement is placed on the Table of the House.

Shri Abdul Muqtadir Choudhury :—What is the total amount paid by the Govt. annualy for that purpose ?

Shri Sarat Chandra Sinha (Chief Minister) :—That has not been calculated but that is a huge amount.

Shri Abdul Muqtadir Choudhury :—Whether Govt. has constructed any house ?

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, after the recommendation made by the Police Commission, Govt. have constructed many houses. But I have got the

figure of construction of houses for Gauhati only. For other places I do not have the figures with me at present. At Gauhati 348 houses have been constructed.

Re : Police Excesses during Emergency

Shri Promode Chandra Gogoi asked :—

* 166. Will the Chief Minister be pleased to state :—

(a) Whether the Government have received representations alleging Police excesses during the period of Emergency ?

(b) If so, action taken by the Government to conduct enquiries into the allegation ?

Shri Sarat Chandra Sinha (Chief Minister) replied :—

166. (a)—Yes.

(b)—Government have decided to constitute an authority to enquire into certain cases of Police excesses regarding which complaints were made to the Shah Commission, and which have been referred to the State Government recently. This is being done as per advice given by Shah Commission. In certain other cases Government have held administrative enquiries as well as enquiries by Judicial Officers. Some cases are subjudice in the Law Courts.

Shri Promode Chandra Gogoi :—Mr. Speaker, Sir, may I

know from the Chief Minister, how many representations have been received by the Govt. alleging police excesses during the emergency.

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, Govt. has received 8 cases and 3 cases have been reported by the hon'ble Member, Shri Dulal Chandra Barua, Shri Promode Chandra Gogoi and Shri Kehoram Hazarika. Sir, these 11 cases have been reported to the State Govt. and another 84 cases have been referred to the State Govt. by Shah Commission. Of these 84 cases, about 30 cases are relating to police excesses.

Shri Promode Chandra Gogoi :—Sir, In reply to this the Chief Minister has stated that an authority has been set up by the Govt. to make enquiries into the allegations. May I know what will be the function of that authority and who is the head of that authority ?

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, the authority is being set up as the Shah Commission has instructed that an authority should be constituted to enquire into these matters and a Commission of the District Judge level officer is being constituted and we made a reference to the Govt. of India. After the approval of the Govt. of India is received, the authority so constituted will start functionig.

Shri Promode Chandra Gogoi :—What are the terms of reference of the authority.

Shri Sarat Chandra Sinha (Chief Minister) :—As a matter of fact this authority will enquire into the cases such as Shah Commission is doing. It will be more or less of the same terms of reference.

Shri Giasuddin Ahmed :—Sir, the Chief Minister has said that Govt. have received a number of cases and he has named the complaint also. Whether Govt. has received any complaint of police excess in Golakganj Police Station which complaint has been sent by three members of this house viz, Shri Promode Chandra Gogoi, Kabir Chandra Roy Pradhani and myself.

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, I have already referred 11 cases and I will have to go through all these cases. Now if the hon'ble members insist the cases are here but I do not think that casess are included here.

Shri Mal Chandra Pegu :—Whether any such allegations are there ?

Shri Sarat Chandra Sinha (Chief Minister) :–Various allegations are there because some reference s had been made directly to the Shah Commission and I have already said that there are 84 cases.

শ্ৰীকেহোৰাম হাজৰিকা :—গোলকগঞ্জৰ এই কেছটো তেখেতে নাই বুলি কৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—নাই বুলি কোৱা নাই, চাব লাগিব বুলি কৈছো।

শ্ৰীকেহোৰাম হাজৰিকা :—যদি এই কেছটো লিষ্টত নাই যিহেতু ইয়াত স্পেচিফিক অভিযোগ আছে গতিকে এই কেছটো সোমাই লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—যদি এই কেটেগৰীত পৰে নিশ্চয় কৰিম।

Shri Giasuddin Ahmed :—The occurance took place during the emergency. So whatever occurance of police excess took place during the emergency should be included in that list.

Shri Sarat Chandra Sinha (Chief Minister) :—Yes, Sir.

শ্ৰীসোনেশ্বৰ বৰা :—এই কথাবিলাক যদিও চাহ কমিচনৰ বিবেচনাধীন হৈ আছে এটা কথাৰ নিশ্চয় মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব পাৰিব যে জৰুৰী কালিন অৱস্থাৰ সময়ত কোন থানাত প্ৰথমে দীঘল চুলি ৰখাৰ চুলি কটা হৈছিল তাৰ পিছত একাদিক্ৰমে কোন কোন থানাত কটা হ'ল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এইটো ক'ব নোৱাৰিম।

Shri Dulal Chandra Barua :—Sir, the Chief Minister was pleased enough to declare at they are going to enqurie into the excesses during the emergency at the instance of Shah Commission. But in the last budget session, an assurance was given by the then Home Minister in this house that the allegations which were received by the Govt. were being enquired into. May I know from the hon'ble Chief Minister whether any enquiry was made and if so what is the result and report of the enquiry.

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, some cases

have been referred to the court and in some cases an authority will be constituted to look into the whole matter.

Shri Dulal Chandra Barua :—Sir, I lodged a complaint and I was told that has been sent to the Commissioner of Division for enquiry but till today nothing has been done. Therefore, are we to understand that even after receiving so many complaints regarding excess during emergency Govt. did not care to make enquiries ?

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, many cases have been referred to Govt. of India and we are waiting to constitute a commission.

Shri Mohitosh Purkayastha :—Mr. Speaker, sir, the Chief Minister said that there are 11 cases with him. May I know what are those cases.

Shri Sarat Chandra Sinha (Chief Minister) :—I will give the list.

বিঃ উন্নয়নমূলক আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

* ১৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) উত্তৰ পূৰ্ব্বাঞ্চল পৰিষদে বৰ্ত্তমানলৈকে কি কি উন্নয়নমূলক আঁচনি অসমৰ বাবে গ্ৰহণ কৰিছে ?

(খ) এই আঁচনিসমূহৰ কামৰ অগ্ৰগতি কি হৈছে ?

(গ) এই কামসমূহ কোনে কাৰ্য্যকৰী কৰিছে ?

(ঘ) এই কাম কাৰ্য্যকৰী কৰাৰ বাবে সকীয়া সুবিধা অসম চৰকাৰক দিয়া হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :—

১৬৭। (ক)—আঁচনিসমূহৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(খ)—প্ৰায়বিলাক কামেই হাতত লোৱা হৈছে। সম্পূৰ্ণ হোৱাৰ ভিতৰত তিখন দলঙেই প্ৰধান। দলং কেইখন—

১। আগিয়া-মেঘিপাৰা পথৰ ওপৰত কাঠৰ দলং।
২। দামৰা-দলগোমা পথৰ ওপৰত কাঠৰ দলং।
৩। পাইকান-বাজেং দৰা পথৰ ওপৰত কাঠৰ দলং।

(গ)—চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই কামসমূহ কৰিছে, কিন্তু ব্ৰহ্মপুত্ৰৰ ওপৰত ২য় দলঙৰ কাৰণে কৰা জৰীপ M/S RITES ৰ দ্বাৰা N.E.C. এ কৰোৱাইছে। ৰেলৱে পথৰ কাম ৰেলৱেৰ যোগেদি কৰোৱাইছে।

(ঘ)—উপদেষ্টা সেৱা (Consultancy Services) আৰু তেনেধৰণৰ সুবিধা চৰকাৰে পাইছে।

ৰি: উত্তৰ-পূৰ পৰিষদে লোৱা আঁচনি

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰীয়ে সুধিছে :—

* ১৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ-পূৰ পৰিষদে আজিলৈকে অসমত কি কি আঁচনি হাতত লৈছে ?

(খ) যদি লৈছে, তেন্তে কেতিয়া আৰু কি কি আঁচনি উত্তৰ-পূৰ পৰিষদে অসমৰ কাৰণে কৰিবলৈ হাতত লৈছে ?

(গ) সেইবিলাকৰ কাৰণে কিমান টকা ব্যয় কৰিবলগীয়া হৈছে ?

(ঘ) সেই আঁচনিবোৰৰ ভিতৰত ইতিমধ্যে কিমানটা সম্পূৰ্ণ হ'ল আৰু সম্পূৰ্ণ নোহোৱা কিমানটা কেতিয়া সম্পূৰ্ণ হৈ উঠিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

১৬৮। (ক) আৰু (খ)—আঁচনিসমূহৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে। প্ৰায়বোৰ আঁচনি ১৯৭৩-৭৪, ১৯৭৪-৭৫, ১৯৭৫-৭৬ চনৰ পৰাই আৰম্ভ হৈছে। ইয়াৰ উপৰিও পথ আৰু দলং নিৰ্মাণৰ ১২ খন আঁচনি উত্তৰ-পূব পৰিষদে অনুমোদন কৰিছে।

(গ)—উপৰোক্ত আঁচনিবোৰত এতিয়ালৈকে প্ৰায় ৪,৭৩,৭৬,৯০৭·৩৭ টকা খৰছ কৰা হৈছে। (মাৰ্চলৈকেহে খৰচ দেখুৱা হৈছে কোনো কোনো আঁচনিৰ ক্ষেত্ৰত।

(ঘ)—সম্পূৰ্ণ হোৱা আঁচনিৰ ভিতৰত তলত দিয়া প্ৰধান আঁচনি কেইখন হ'ল—

১। আগিয়া-মেধিপাৰা পথৰ ওপৰত কাঠৰ দলং নিৰ্মাণ।

২। দামৰা-দলগোমা পথৰ ওপৰত কাঠৰ দলং নিৰ্মাণ।

৩। পাইকান-বাজেংদবা পথৰ ওপৰত কাঠৰ দলং নিৰ্মাণ।

৪। বঙা নদীৰ অৱবাহিকা অঞ্চলত লোৱা ভূমি আৰু জলসংৰক্ষণৰ আঁচনিৰ পৰা প্ৰায় ১৮১০ হেক্টৰ ভূমি ফলপ্ৰসু হৈছে।

৫। কৃষি বিভাগৰ আঁচনিৰ পৰা এতিয়ালৈ ৩ জন M,Sc. ( Agri. ) Course (দুবছৰীয়া) আৰু ৩ জনে চুটি ম্যাদি (Short Term) Training Course শেষ কৰিছে। বাকী সকলো আঁচনি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ হৈ উঠাৰ আশা কৰা হৈছে।

বিঃ ছাত্ৰ-ছাত্ৰীক বিনা মাচুলে পঢ়োৱাৰ সিদ্ধান্ত

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে :—

* ১৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুল সমূহৰ শিক্ষান্ত পৰীক্ষা পৰ্য্যন্ত ছাত্ৰ-ছাত্ৰী সকলক বিনা মাচুলে পঢ়োৱাৰ সিদ্ধান্ত কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে কেতিয়াৰ পৰা এই সিদ্ধান্ত কাৰ্য্যকৰী কৰা হ'ব?

শ্ৰীহিতেশ্বৰ শইকীয়া (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১৬৯। (ক)—বছৰি ৩,৬০০ টকাৰ তলৰ আয়ৰ অভিভাৱকৰ ল'ৰা ছোৱালীৰ কাৰণে এনে সিদ্ধান্ত লোৱা হয়।

(খ) এই সিদ্ধান্ত অহা পাঠ্যক্ৰম বছৰৰ পৰা কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

বিঃ চৰকাৰী নিম্ন আৰু উচ্চ বুনিয়াদী বিদ্যালয়ৰ গৃহ নিৰ্মাণ

শ্ৰীজয় চন্দ্ৰ ৰবাই সুধিছে :—

* ১৭০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) চৰকাৰী নিম্ন আৰু উচ্চ বুনিয়াদী বিদ্যালয় বিলাকৰ গৃহ নিৰ্মাণ মঞ্জুৰী দিয়ে নে?

(খ) যদি দিয়ে তেন্তে জ্ঞান চৰকাৰী প্ৰাথমিক বিদ্যালয়বিলাকৰ সৈতে একে নিয়মেৰে দিয়ে নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

১৭০। (ক)—দিয়া নহয়।

(খ)—প্ৰশ্ন নুঠে।

**Re : Loans granted to Small Farmers by Assam Co operative Apex Bank**

Dr. Robindra Kumar Goswami asked :—

* 171. Will the Minister, Co-operation be pleased to state :—

(a) The total amount advanced as credit to small farmers by the Assam Co-operative Apex Bank Ltd. during the period of two decades from 1953-54 to 1972-73 ?

(b) Out of the total loan given by the Apex Bank during this period what amount has been repaid ?

Shri Uttam Chandra Brahma (Minister, Co-operation) replied :—

171. (a)—Rs. 18,57,47,362·00.

(b)—Rs. 11,57,52,090·00.

Re: Policy for granting Loans by Assam Co-operative Apex Bank Ltd.

Shri Atul Chandra Saikia asked :—

* 172. Will the Minister, Co-operation be pleased to state :—

(a) Whether it is a fact that the Assam Co-operative Apex Bank Ltd. has adopted the policy of granting loan

to individuals without any security?

(b)—Whether the Chairman of the Assam Co-operative Apex Bank Ltd. is authorised to sanction "Cash Credit Accommodation" without the prior approval of the Board of the Directors?

Shri Uttam Chandra Brahma (Minister, Co-operation) replied :—

172. (a)—No. Loans are given by the Bank only against adequate security.

(b)—Normally, all sanctions of Cash Credit Accommodations are given by the Board. In case of urgency however and when the Board is not likely to meet soon. Cash Credit Accommodations are sanctioned by the Chairman or Managing Director in anticipation of the Board's approval.

বিঃ উপৰহালী-সৰপাৰা সমবায় সমিতি

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে সুধিছে :—

* ১৭৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৫১ চনত কামৰূপ জিলাৰ পলাশবাৰী চক্ৰৰ অধীনত উপৰহালী গাওঁৰ উপৰহালী-সৰপাৰা প্ৰাথমিক ব্যৱসায় সমবায় সমিতি আৰু পিচত উপৰহালী-সৰপাৰা সমবায় সমিতি নামৰ এখন সমবায় থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত সমবায় সমিতিখনৰ লাভ-লোকচানৰ হিচাব পৰীক্ষা কৰা হৈছিলনে ?

(গ) যদি হৈছিল কি কি কাৰণত লোকচান হৈছিল ?

(ঘ) ১৯৫১-৫২ চনত উক্ত সমিতিৰ কোন চেয়াৰমেন আৰু চেক্ৰেটাৰী আছিল ?

(ঙ) চেয়াৰমেন আৰু চেক্ৰেটাৰীয়ে কিবা ধন আত্মসাৎ কৰিছিলনে ?

(চ) যদি কৰিছিল তেনেহলে টকাৰ সংখ্যা কিমান আছিল ?

(ছ) উক্ত সমবায় সমিতিৰ যিসকল চেয়াৰমেন, চেক্ৰেটাৰী আৰু সদস্য 'ডিফলটাৰ' বা ধন আত্মসাৎ কৰিছিল তেওঁলোকক বৰ্ত্তমান "ডিফলটাৰ" হিচাবে গণ্য কৰা হ'ব নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১৭৩। (ক)—জানো।

(খ)—সমিতিখন পঞ্জীভুক্ত হোৱাৰ প্ৰায় দুই বছৰমান পাচতেই ১৯৫৩ চনত নিষ্ক্ৰীয় হৈ পৰে। সমিতিৰ আৱশ্যকীয় নথিপত্ৰ নৰখা আৰু নোপোৱাৰ কাৰণে, বিশেষকৈ লাভ লোকচানৰ হিচাব পৰীক্ষা কৰা সম্ভৱ হোৱা নাছিল।

(গ)—'খ' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

(ঘ)—১। চেয়াৰমেন—শ্ৰীফণীন্দ্ৰ নাথ ঠাকুৰীয়া।
চেক্ৰেটাৰী—৺অন্নদা চৰণ তালুকদাৰ।

(ঙ)—চেয়াৰমেন বা চেক্ৰেটাৰীয়ে কিবা ধন আত্মসাৎ কৰা কোনো অভিযোগ বা তেনেধৰণৰ প্ৰত্যক্ষ প্ৰমাণ গোচৰত অহা নাই। কিন্তু সমিতিৰ ১৯৫৪-৫৫ চনৰ বছেৰেকীয়া সাধাৰণ সভাৰ প্ৰস্তাৱ মতে সমিতিৰ তৎকালিন সভাপতি শ্ৰীফণীন্দ্ৰ নাথ ঠাকুৰীয়াৰ পৰা পাবলগীয়া মুঠ ১০৮১.৬২ টকা আদায় কৰা দেখা যায়। কিন্তু তেতিয়াৰ সম্পাদক ৺অন্নদা চৰণ তালুকদাৰৰ পৰা পাব লগীয়া কিবা আছে নে নাই প্ৰাপ্ত নথিপত্ৰৰ ভিত্তিত থিৰাং কৰিব পৰা হোৱা নাই।

(চ)—উপৰোক্ত প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত যি টকা চেয়াৰমেন আৰু চেক্ৰেটাৰীৰ পৰা পাবলগীয়া বা দিবলগীয়া আছিল সেই টকা প্ৰাপ্ত কাগজপত্ৰৰ ভিত্তিত আত্মসাৎ কৰা বুলি সঠিক কব নোৱাৰি।

(ছ)—সভাপতি সম্পাদক নাইবা আন কোন সদস্য যিসকলে ধাৰ ফিৰত দিয়া নাই সেই সকলকহে (Defaulter) গণ্য কৰা হ'ব আৰু যিসকলে টকা আত্মসাত কৰিলে সেইসকলক টকা আত্মসাতকাৰী বুলি গণ্য কৰা হব।

### বি: বৰপেটা মহকুমাৰ চাৰ্কোল অফিচ

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে :—

* ১৭৪।—মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :— বৰপেটা মহকুমাৰ কোন কোন ঠাইত এই বছৰ চাৰ্কোল অফিচ খোলা হব আৰু কেতিয়ালৈ ইয়াৰ কাম আৰম্ভ হব ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :—

১৭৪।—ইতিমধ্যে সৰ্থেবাৰীত এটা ৰাজহ বিভাগৰ চক্ৰ যোৱা ১।১০।৭৭ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে। ইয়াৰ উপৰিও বৰপেটা মহকুমাত আৰু কেইটা চক্ৰ খোলাৰ প্ৰয়োজন হয় সেই প্ৰশ্নটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

### Re : Veterinary Dispensary at Barimakha

Shri Surendra Nath Das asked :—

* 175. Will the Minister, Veterinary be pleased to state—

(a) When the fund was sanctioned for the construction of the Veterinary Dispensary at Barimakha ?

(b) When construction of the Veterinary Dispensary was started ?

(c) Whether it is a fact that the construction works have not yet been completed ?

(d) When it will be completed ?

Shri Md. Idris (Minister, Veterinary) replied :—

175. (a)—The fund was sanctioned during 1972-73 and 1975-76.

(b) –In March 1973.

(c)—Yes.

(d) – Expected to be completed soon.

## বি ঃ মুৰাদেৱৰ দেৱালয়ৰ মাটি অধিগ্ৰহণ

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ—

* ১৭৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ—

(ক) মঙ্গলদৈ মহকুমাৰ শিলপোটা মৌজাৰ অন্তৰ্গত মুৰাদেৱৰ দেৱালয়ৰ নামত থকা মাটিবোৰ আইনমতে অধিগ্ৰহণ কৰা হৈছেনে ?

(খ) যদি হৈছে, অধিগ্ৰহণ কৰা মাটিৰ পট্টা দখল কৰি থকা খেতিয়ক ৰাইজে পাইছে নে পোৱা নাই ?

(গ) মুৰাদেৱালয়ৰ ভৰণ-পোষণৰ বাবে ক্ষতি পুৰণ কিমান নিৰ্দ্ধাৰণ কৰা হৈছে ?

(ঘ) উক্ত দেৱালয়ৰ ভৰণ-পোষণৰ বাবে আজিলৈ কিমান টকা দিয়া হ'ল ?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :—

১৭৬। (ক)—হয়।

(খ)—পোৱা নাই।

(গ)—ক্ষতি পুৰণ নিৰ্দ্ধাৰণ হোৱা নাই।

(ঘ) দিয়া হোৱা নাই।

**Re : Hailakandi Sub-Registrar's Office**

Shri Abdur Rahman Choudhury asked :—

* 177. Will the Minister, Registration be pleased to state :—

a) Whether it is a fact that there is a Record room in Hailakandi Sub-Registrar's Office ?

b) If not, Whether it is a fact that people from Hailakandi are to obtain copies of old sale deeds etc. from Silchar and Karimganj Record room ?

c) If so, whether arrangement for establishing a Record room in Hailakandi would be made and if so, when ?

Shri Upendra Das (Minister, Registration) replied :—

177. a)—It is not a fact.

b)—Persons intending to get copies of old sale deeds can get the copies deliverd at Hailakandi itself. On receipt of an application for a copy,

the Sub-Registrar will get the copies done at Silchar and deliver it at Hailakandi. No record is kept at Karimganj also. Hence obtaining copies from Karimganj does not arise.

Copies of sale deeds, etc., registered within a calendar year may be obtained rom the office of the Sub-Registrar itself before the records are sent to the District Register's Record room in the month of January following.

c)—Under Rules 116 and 121 of the Registration Rules, no such Record room can be maintained in the Sub-Registrar's Office.

## বিঃ বানপানীৰ স্থায়ী নিৰাকৰণৰ ব্যৱস্থা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :—

* ১৭৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) আমাৰ অসম ৰাজ্যখনত প্ৰতি বছৰে হৈ থকা প্ৰলয়ংকৰী বানপানীৰ পৰা ৰক্ষা পাবৰ অৰ্থে বানপানীৰ স্থায়ী নিৰাকৰণৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) যদি হৈছে, তেন্তে কি কি ব্যৱস্থা লোৱা হৈছে ?

(গ) যদি এনে ব্যৱস্থা লোৱা হোৱা নাই, তেন্তে কিয় লোৱা হোৱা নাই ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১৭৮। (ক)—হয়, এনে ব্যৱস্থা হাতত লোৱা হৈছে।

(খ)—হ্ৰস্বম্যাদী ( Short Term ) আঁচনি হিচাপে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহত মঠাউৰী, জল নিষ্কাষক নলা, পানী দুৱাৰ আদিৰ

ব্যৱস্থা কৰা হৈছে। দীৰ্ঘ ম্যাদী (Long Term) আঁচনি হিচাপে দিহং আৰু সোৱনশিৰি বান্ধৰ অনুসন্ধানৰ কাম চলাই থকা হৈছে। পাগলাদিয়া নদীৰ বান্ধৰ আঁচনি এখন ইতিমধ্যে যুগুত কৰি থকা হৈছে। বৰাক বান্ধৰ অনুসন্ধানৰ কাম বৰ্ত্তমান উত্তৰ-পূব পৰিষদৰ তলত চলি আছে।

(গ)—প্ৰশ্ন নুঠে।

**Re : Colleges having faculty of Science**

Smti. Pranita Talukdar asked :

* 179. Will the Minister, Education be pleased to state—

a) How many Colleges in Assam have the faculty of Science ?

b) Whether Government has decided to give permission to some more colleges to open Science in P.U. Classes ?

c) If so, the number thereof ?

Shri Hiteswar Saikia (Minister. Education) replied :—

179. (a)—Thirty-four Colleges.

(b)—No.

(c)—Does not arise.

**Starred question No. 180 was put along with the starred question No. 160**

**Re: Co-operative Suger Mills**

Shri Bishnu Prasad asked :—

* 181. Will the Minister, Co-operation be pleased to state :—

(a) The present position of the three Co-op. Sugar Mills in the State and progress so far made ?

b) Amount of share money collected for the Mills (The amount may be shown Mill-wise).

Shri Uttam Chandra Brahma (Minister, Co-operation) replied :

181. (a)—State Government have taken steps to establish 3 new Sugar Mills under Co-op. Secror one each in Kamrup (Nowgong), Goipani (Dibrugarh) and Borbori (Kamrup). These Societies were organised in the year 1975 with the estimated cost of Rs. 828 lakhs, 865 lakhs and 842 lakhs respectively. As per capital structure, each Society is to raise Rs. 15 lakhs from the growers. The feasibility report has been prepared for all the three Sugar Mills and Government of India has been moved for transfer of licences against the three Co-operative Societies from the name of A. I. D. C.

The progress so far made towards establishment of each of the 3 Sugar Mills is as follows :–

**1. Nowgong Co-op. sugar mills Ltd. Kampur.**

(i) Society registered and Board of Management has been constituted in 1975.

(ii) One Sub-Registrar of Co-op. Societies has been posted as Secretary of the Society.

(iii) 360 Bighas of land has been provided for factory site.

(iv) (a) State Government sanctioned Rs. 95·00 lakhs as share capital contribution.

(b) M. T. Loan sanctioned Rs. 13·5 lakhs.

(c) Grower's share capital contribution collected as on 17th June, 1977 Rs. 1·65 lakhs.

(d) N. C. D. C. has been moved for sanction of Rs. 30·00 lakhs as share capital contribution for purchase of plant and machinery.

**2. Dibrugarh Co-op.Sugar Mills Ltd., Goipani :**

(i) The Society has been registered and Board of Management has been constituted in 1975.

(ii) Assistant Registrar, Co-op. Societies, Tinsukia has been deputed to act as Secretary of the Society.

(iii) 1056 Bighas of land has been provided for factory site and the Deputy Commissioner, Dibrugarh has been moved for providing 3300 bighas of Government land for captive farm of the Society.

(iv) (a) Growers' share capital contribution money has been collected Rs. 68,00s as on 17th June, 1977.

(b) State Government has sanctioned Rs. 10,000 as managerial subsidy.

**3. Kamrupa Co-op. Sugar Mills Ltd. Borbori :**

(i) The Society is registered and Board of Management has been constituted in 1975.

(ii) Assistant Registrar, Co-op. Societies, Nalbari has been deputed to act as Secretary of the Society.

(iii) 1450 bighas of land has been provided for factory site, etc.

(iv) (a) Growers' share capital contribution money has been collected Rs. 45,893 as on 17th June, 1977.

(b) State Government has sanctioned Rs. 10,000 as managerial subsidy.

(b)--Already stated above in reply to Question 'A'.

**Re : Primary Marketing Co-operative Societies**

Shri Gaurisankar Bhattacharyya asked :

* 182. Will the Minister, Co-operation be pleased to state—

(a) How many Primary Marketing Co-operative Societies are at present functioning in Assam ?

(b) What is the total amount of money that has been given by the Government as grants to these societies up to the end of the financial year 1976-77 ?

(c) What has been the total turnover of these societies in the year 1976-77 ?

(d) What profits have been earned by the said societies in the year 1976-77 ?

Shri Uttam Chandra Brahma (Minister, Co-operation) replied :—

182. (a)—Fifty in seventeen Sub-divisions ( information available for seventeen Sub-divisions out of twenty excluding Sub-divisions Gauhati, Goalpara, Dhemaji ). This excludes the Sub-area Marketing Societies of the Hills Districts.

(b)—Rs. 66,06,811·00

(c)—Rs. 2,44,55,500·00

(d)—Rs. 4,28,482·45

## বি ঃ কৃষি উৎপাদনৰ যন্ত্ৰ-পাতি

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

* ১৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কৃষি উৎপাদনৰ যন্ত্ৰ-পাতিবোৰ ক'ৰ পৰা অনা হয় ?

(খ) এনেবোৰ যন্ত্ৰ-পাতি উৎপাদনৰ বাবে অসমতো এটা কাৰখানা তৈয়াৰ কৰাৰ আঁচনি চৰকাৰে লৈছে নেকি ?

শ্ৰীলক্ষ্যনাথ দলে ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১৮৩। (ক)—সৰু-সুৰা যন্ত্ৰ-পাতিবোৰ বিভাগীয় কাৰখানা আৰু কৃষি

উদ্যোগ উন্নয়ন নিগমৰ কাৰখানাত তৈয়াৰ কৰি যোগান ধৰা হয়। গধুৰ যন্ত্ৰ-পাতিবোৰ ৰাজ্যৰ বাহিৰৰ পৰা অনা হয়।

(খ)—নাই লোৱা।

**Short Notice questions dated 18-11-77**

**Re : Supply of Railway sleepers**

Shri Dulal Chandra Barua,
Shri Mohitosh Purkayastha,
Shri Badan Chandra Talukdar asked :—

6. Will the Minister, Forests be pleased to state—

(a) Whether it is a fact that Government have decided for refund of a huge amount of revenue to the Forest contractors supplying Railway sleepers ?

(b) What is the total amount of Revenue involved in the aforesaid refund ?

Shri Girindra Chandra Choudhury ( Minister, Forests ) replied :

6. (a)—Yes. But it is not Government Revenue. The money paid by the Railway Board for payment to the sleeper suppliers through the Forest Department which was held up has since been released.

(b)—The amount so far released comes to little above 5·5 lakhs. What would be the total claim is under examination.

Shri Dulal Chandra Barua :—The minister has stated that the loss of revenue is Rs. 5·5 lakhs. Is the Minister aware that the actual loss is Rs. 57 lakhs and not 5·5 lakhs ?

Shri Girindra Chandra Choudhury ( Minister, Forests ) :—Sir, this is not revenue. The Govt. approved the deduction of 15 percent on Sale timber as departmental charges from 11.1.75 since the usual deduction of 10 percent will leave the price higher than the prevailing market price. This was approved by the Govt. for one year only. Subsequently the market price has gone up and therefore a deduction of 15 percent continued, which was objected to by the suppliers. On the representation of suppliers keeping in view the objection of the Railway Board it was decided to refund 5 percent. Sir, I want to impress upon that this 15 percent charge was objected by the Railway Board and therefore, the question of refund arose.

Shri Dulal Chandra Barua :—Whether the Govt. had done it of its own or been influenced by the suppliers ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—Sir, there is a pricing Board consisting of the representative of the Forest Department; Railway Board and the Union Agriculture Minister. The Board has given us 4 percent to be taken from sleeper suppliers. But from 1961 to 1977 departmental commission started from 2 percent

to 10 percent to which the suppliers have agreed. But when we have again increased the percentage from 10 to 15 that was objected to both by the suppliers and by the Railway Board. The 15 percent was considered very high by the Railway Board Therefore, on the application of suppliers and the objection communicated to us by the Railway Board we have decided to refund the 5 percent we realised in excess

Shri Dulal Chandra Barua :—Whether the refund order was passed at the instance of the Railway Board or at the instance of the State Govt ? May I refer to Govt letter No. FRS. 282/74/132 dated 21.9.77 and letter No. FRS. 282/74/102 dated 23rd August, 1977 which indicates that the Govt. have acted at the instance of the contractors for which the State is losing in revenue ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—We are not losing in revenue. We are getting only 4 percent as commission, and we are getting 10 percent more as departmental charges.

Shri Dulal Chandra Barua :—My information is that we are losing about 57 lakhs of rupees.

Shri Girindra Chandra Choudhury (Minister, Forests) :—No Sir, we have been deducting all the time from 1961 onwards at various rates ranging from 2 percent to 10

percent departmental charges as commission. Now, in 1977 it was raised to 15 percent which was objected to by the Railway Board, being very high and irregular.

Shri Dulal Chandra Barua :—Even for refund the approval of the House is necessary which was not obtained and therefore we are losing 57 lakhs of rupees. On the petition in the individuals the Minister has aggreed to refund the money. What rule the Govt has followed in this respect ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—There is no rule as a matter of fact to take this departmental commission. We have taken the commission on a mutual understanding between the Govt. and the suppliers, and the suppliers have agreed to it.

Shri Gaurisankar Bhattacharjee :—Is it a commission or an administrative charge ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—This is Departmental commission. 4 percent we are getting as administrative charges.

Shri Dulal Chandra Barua :—At whose instance you have done it ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—Previously 15 percent was agreed to by the Govt. for one year and on that the suppliers have complained to railway board and the railway board has objected to it.

Shri Gaurisankar Bhattacharjee :– So far as the administrative costs are concerned the costs which we incur, that is called administrative charge and it is 4 percent. Is that so ?

Shri Girindra Chandra Choudhury (Minister, Forests) :– Yes, that is administrative charge.

Shri Gaurisankar Bhattacharjee :– Percentage of Commission has been changed from 2 percent to 15 percetn. Now at a time when 15 p. c. was fixed to fetch certain amount, there was a reduction from 15 percent to 10 percent in earning. What we want to know is whether this reduction was done after proper departmental procedure being followed and after proper negotiation or it was done ad-hoc ?

Shri Girindra Chandra Choudhury, (Minister, Forests) :– 10 percent wes agreed upon by Department upto the year 1976. In 1977 we had to raise it to 15 percent because prices of timber had gone up. And this increase of 5percent had been objected to by the Railway Board. And that is why we had to refund the amount.

Shri Gaurisankar Bhattacharjee :– Who decided to agree to that reduction ? Whether Govt. did it or the Department did it ?

Shri Girindra Chandra Choudhury (Minister, Forests) :— 15 percent was only made for one year and that has already expired.

Shri Giasuddin Ahmed :—Whether the objection of the Railway Board to increase the rate is binding on the State Govt. ? If so, how ?

Shri Girindra Chandra Choudhury (Minister, Forests) :—It is binding on the Govt. price fixation is made by the Railway Board.

Shri Giasuddin Ahmed :—My question has not been clearly answered. Sir, whether it is the discretion of the State Govt. to fix the commission.

Shri Girindra Chandra Choudhury ( Minister, Forests ) :—It is done in the interest of the State.

Shri Giasuddin Ahmed :—Whether this fixation is made after consultation with the Railway Board ?

Shri Girindra Chandra Choudhury ( Minister, Forests ) :—No, Sir.

Shri Giasuddin Ahmed :—How could the Railway object to this ?

Shri Girindra Chandra Choudhury ( Minister, Forests ) :—Because Railway has given us 4 percent and we have realised exact commission from that i. e. upto 10 percent After that we had increased it to 15 percent and then they had objected to it.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, এবছৰৰ কাৰণে ১৫ পাৰচেন্ট কলেক-চন কৰা হ'ল বুলি মন্ত্ৰী মহোদয়ে কৈছে। এইটো এতিয়াও ৰিফান্দ দিয়া

হোৱা নাই। আগৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে এইটো মিউচুৱেল কণ্ট্ৰেক্ট কৰা হৈছে তেন্তে এইটো বিফান্দ দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (ৰাজ্যিক বনমন্ত্ৰী):—আগতে এইটো ১০ পাৰচেণ্ট কৰি দিয়া হৈছিল, এতিয়া ১৫ পাৰচেণ্ট কৰা হ'ল।

Shri Badan Chandra Talukdar :—15 percent for one year you have realised ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী ( ৰাজ্যিক বনমন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, এইটো অন্যায় হৈছে বুলি আমি আপত্তি কৰিছিলো। আমি তেতিয়া ৰেলওৱে ব'ৰ্ডৰ লগত চুক্তি কৰিলো শতকৰা ১০ ভাগ আমি লৈ শতকৰা ৫ ভাগ তেওঁলোকক দিম।

## বিঃ ধুবুৰী-কচুগাওঁ ৰাস্তা

শ্ৰীকবীৰ চন্দ্ৰ ৰয়প্ৰধানীয়ে সুধিছে :-

৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :-

ক) গঙ্গাধৰ নৈখনে ধুবুৰী—কচুগাওঁ পি, ডব্লিউ ৰাস্তাটো ভঙা কথাটো সঁচানে ?

খ) উক্ত ৰাস্তাটো চৰকাৰে বন্ধাৰ কিবা ব্যৱস্থা লৈছেনে ?

গ) গঙ্গাধৰ নৈৰ ওপৰত নতুনকৈ N.H. ৰাস্তাৰ দলঙৰ উত্তৰফালে মৈসা গাঁৱত প্ৰবলভাবে গড়া খহনীয়া হোৱা কথাটো সঁচানে ?

ঘ) বিভাগীয় কৰ্মচাৰীয়ে গড়া খহনীয়াৰ অৱস্থাটো চাইছেনে ?

ঙ) যদি চাইছে, তেন্তে কিবা ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :-

৫। (ক)—হয়, সঁচা।

(খ)—ৰাস্তাটো বান্ধিবৰ বাবে গড়কাপ্তানী বিভাগে প্ৰাক্কলন যুগুত কৰিছে।

(গ) গড়া খহনীয়া হোৱা কথাটো সঁচা।

(ঘ)—হয়, চাইছে।

(ঙ)—বিষয়টো বৰ্তমান বিচাৰাধীন হৈ আছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, মৈচা গাৱত কিমান পৰিয়াল এই গড়া খহনীয়াৰ ফলত গৃহহীন হৈছে জনাবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই গোটেই কাগজখন পঢ়ি দিলে ভাল হ'ব।

Land area affected—15,136 B–3 K–10 Ls.
Population affected—18,927 Nos.
Agril. land affected—10,236 B- 2 K- 5 Ls.
Value of crops affected—Rs. 9,21,240·00
Value of cattle lost—Nil.
Value of dwelling Houses damanged—Nil
River-erosion affected f. milies—4 Nos.
Total eroded land—5 B- 3 K- 10 Ls.

শ্ৰীগিয়াচুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, 'ঙ' প্ৰশ্নৰ উত্তৰত কৈছে ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰা হৈছে। ব্যৱস্থা লোৱাৰ কি কি ব্যৱস্থা কৰা হৈছে আৰু আচল ব্যৱস্থা কেতিয়া লোৱা হ'ব ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, কথা বিলাক ইংৰাজীতে আছে যেতিয়া ইংৰাজীতে কৈ দিও।

In order to train the river Gangadhar and to cut off the spill channel one scheme for protection works at Kumarganj has been draw up and it will cost approximately 15·80 lakhs.

Shri Giasuddin Ahmed :—Whether the plan and estimate have been approved ?

Shri Girindra Chandra Choudhury (Minister, Flood Control):—It has been approved and money sanctioned.

শ্ৰীআবুল হোচেইন মীৰ :—অধ্যক্ষ মহোদয়, মই এই সদনত বহুতো প্ৰশ্নই দিছো। কিন্তু সদনৰ কাৰ্য্যকাল কম বুলি কিছু প্ৰশ্ন আহিছে আৰু কিছু অহা নাই। যিবিলাক প্ৰশ্নৰ উত্তৰ অহা নাই সেইবিলাকৰ উত্তৰ পোৱাৰ কিবা ব্যৱস্থা কৰিবনে ?

माननीয় অধ্যক্ষ :—মই কিমান প্ৰশ্ন আহিছে, আৰু কিমান দিয়া হৈছে কৈ দিছো।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, মোৰ এটা বৰ জৰুৰী বিষয় লৈ প্ৰশ্ন আছিল। সেইটো নাহিলে। এই প্ৰশ্নটো ৩০১ মতে গ্ৰহণ কৰিছে। আৰু এই প্ৰশ্নটো দিবৰ কাৰণে সচিৱৰো নিৰ্দেশ দিয়া হৈছিল। গতিকে এইটো নাহিব নেকি ?

মাননীয় অধ্যক্ষ :—কালিলৈ আহিব নেকি ?

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন যোৱা ৩ বছৰে দি আহিছো। অফিচৰ পৰা এইবাৰো প্ৰশ্নটো পঠালে কিন্তু মন্ত্ৰীৰ ফাইলৰ পৰা ওলাই অহা নাই।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—কোনটো প্ৰশ্ন ?

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—১৯৬০ চনতে একোৱাৰ কৰা মাটিৰ ক্ষতিপূৰণ আজিও পোৱা নাই।

Mr. Speaker :–Yesterday there was a discussion on the admissibility of the adjournment Motion given notice of by Shri Dulal Chandra Barua and others I have heard the arguments of the Hon'ble members and Minister of Parliamentary Affairs for and against the admissibility of the Motion. The Hon'ble Members gave stress on the situation created by the Gauhati Bandh and contended that it created an extraordinary situation necessiating immediate intervention by the House. The Minister, Parliamentary Affairs held that it was a continuous matter and it has not created any abnormal situation as to warrant an adjournment motion.

I quite agree with the Hon'ble Members that the Gauhati Bandh created some difficulty. But I do not think that the situation created by the said Bandh yesterday came as a surprise. Although the Bandh took place yesterday the cause of it has been continuing for sometime and Bandh was threatening since last 2-3 days. The Hon'ble, Transport has also made a statement in the House on the matter on 16-11-77 and the Chief Minister also made some references in this regard. It is also understood that attempts were made by Government to avert the Bandh through negotiation with students in which some of the Hon'ble Members of this House were also associated. It will thus be seen that yesterday's Bandh did not come all of a sudden. It of course created difficulties. Not only I myself but also many Hon'ble Members and many of our officers

and staff were put to difficulties in attending office. But inspite of all this, I am unable to hod that this is such a matter which cannot be discussed except through an adjournment Motion. Moreover it has been held in several rulings of this House and in other Legislatives that strikes and Bandhs cannot be subject matter of an adjournment Motion I, therefore disallow the adjournment Motion.

এতিয়া অসম বিধান সভাৰ নিয়মাবলীৰ ২৮৮ ধাৰামতে শ্ৰীশইকীয়া ডাঙৰীয়াই যি বিবৃতি দিছিল, তাৰ ওপৰত বৰুৱা ডাঙৰীয়াই চমুকৈ কওক।

## Miscellaneous

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব্ব প্ৰথমে মই আপোনাৰ যোগেদি সদনৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো। এই কাৰণেই যে আমি আজি বিধান সভাৰ শেষ পৰ্য্যায় পাইছোহি। এতিয়া আমি সদনৰ পৰা ককাই-ভাইৰ দৰে ওলাই যাব লাগে। মই ১৬ বছৰে এই বিধান সভাত থকাৰ পিছত বা ৰাজনীতিৰ দায়িত্বত থকাৰ পিছতো মই কওঁ যে মই ৰাজনীতিবিদ নহওঁ। তথাপি শিক্ষা মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া ডাঙৰীয়াই যি কেইটা কথা মোৰ বিৰুদ্ধে উত্থাপন কৰিছিল, তাৰ প্ৰত্যুত্তৰ দিবলৈ মই বাধ্য হৈছো। মন্ত্ৰী ডাঙৰীয়াই যেন কোনো ব্যক্তিগত আক্ৰোশ ভাব নলয়। কাৰণ, এইটো নোকোৱাকৈ গ'লে মোৰ ব্যক্তিত্বত ভবিষ্যতে ক্ষতিসাধন হব বুলি ভাবিহে মোৰ বক্তব্য উত্থাপন কৰিব বিচাৰি পুনৰ সদনৰ ওচৰত ক্ষমা বিচাৰিছোঁ। মোৰ কোৱাখিনিত ভাষাৰ কিবা দোষ থাকিলে ক'ব, মই উঠাই ল'ম। কাৰণ আপোনালোকো উঠি অহা লোক আৰু মইও, যদিও মোৰ ৰাজনীতি ১৬ বছৰেই হ'ল, তথাপি মোৰো ভবিষ্যত আছে। গতিকে মই বেয়াকৈ সমালোচনা নকৰোঁ।

অসম চৰকাৰৰ বিপক্ষে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱৰ আলোচনাৰ ভিত্তিত

* Speech Not Corrected.

মই উত্থাপন কৰা কেতবোৰ মন্তব্যৰ বিৰোধীতা আৰু কটু সমালোচনা কৰি মাননীয় শিক্ষা মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই পৰহিদিনা সদনত যি ভাষণ দিছিল সেই সম্পৰ্কত মই আপোনাৰ তথা সদনৰ আৰু ৰাইজৰ জ্ঞাতাৰ্থে মোৰ বক্তব্য ডাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

তেওঁৰ বক্তব্যৰ মূল মৰ্ম হল তেওঁ হেনো নিষ্কাম, নিৰপৰাধী, উচ্চ আদৰ্শৰে অভিভূত দেশৰ নিষ্পেষিত শ্ৰেণীৰ ত্ৰাণকৰ্তা ৰাজনীতিবিদ পুৰুষ আৰু আমাৰ সমালোচনা বোলে কেৱল ব্যক্তিগত কু-চৰ্চ্চা, মিথ্যাবাদৰ অপচেষ্টা। যি কি নহওক, ৰাজনীতিৰ সু উচ্চ জখলা বগাই আহি এই শীৰ্ষস্থানত উপস্থিত হোৱাৰ পিছত তেওঁৰ ৰাজনৈতিক আদৰ্শৰ ৰূপটি স্বৰূপাৰ্থত আপোনভাবেই তেওঁৰ কাম-কাজৰ মাজতে প্ৰতিফলিত হৈছেহি।

তেওঁ উল্লেখ কৰাৰ নিচিনাকৈ যদি প্ৰকৃততে শোষিত আৰু পিছপৰা শ্ৰেণীক আগবাঢ়ি থকাসকলৰ সমকক্ষ কৰিবলৈহে চৰকাৰে শাসন কাৰ্য্য চলাইছিল, তেতিয়া সমালোচনাৰ স্থান নাছিল। কিন্তু ভবিষ্যতৰ অসমবাসীৰ ওপৰত সকলোটি জগৰীয়া হৈ ৰ'ব লাগিব যদিহে সেই উচ্চ আদৰ্শৰ নামত বিপৰীত মুখী কাৰ্য্য-কলাপেৰে ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ পাতনি মেলোহঁক। মন্ত্ৰীজনে এনে এটা ধাৰণা দিবলৈ বিচাৰিছে যেন তেওঁৰ বাহিৰে আমাৰ নিচিনা সদস্যসকলৰ অনুন্নত শ্ৰেণীৰ সমস্যাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। মই শতকৰা ৬০ ভাগ পিছপৰা সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰিছোঁ আৰু তেওঁ লোকৰ প্ৰতি মোৰ ৰাজনৈতিক আদৰ্শ কি সেই কথা মোৰ কাম কাজে প্ৰমাণ কৰাটোৱেই মই বিচাৰোঁ। কিন্তু মন্ত্ৰীজনাৰ উদ্দেশ্য যে অনুন্নত সম্প্ৰদায়ৰ উত্থান কামনা নহয়, মাত্ৰ উত্থানৰ অজুহাতত ব্যক্তিগত, ৰাজনৈতিক আৰু স্বজন প্ৰীতিৰ প্ৰচেষ্টা, তাৰ বিস্তৃৰ্ণ উদাহৰণ দাঙি ধৰিবৰ সমল আছে।

শ্ৰীশইকীয়াই হৰিজনৰ ওপৰত চলা অত্যাচাৰৰ বিষয়ে উল্লেখ কৰিছে। হৰিজনসকলৰ ওপৰত চলা অত্যাচাৰ যে ৩০ বছৰীয়া, কংগ্ৰেছ কু-শাসনৰ প্ৰতিক্ৰিয়া তাক দোহাৰিবৰ প্ৰয়োজন নাই। জনতা আমোলত সেই অত্যাচাৰৰ পৰিমাণৰ উপশম ঘটিছে আৰু এই সমস্যা সমাধানৰ পথত দ্ৰুত পদক্ষেপেৰে আগবাঢ়িছে।

অসম চৰকাৰে, বিশেষকৈ তৎকালিন গৃহমন্ত্ৰী শ্ৰীশইকীয়াই অসমৰ অনুন্নত পিছপৰা শ্ৰেণীৰ সামান্যতম উন্নতিও কৰিব পৰা নাই। পিছপৰা সমাজৰ উদ্ধাৰৰ অজুহাত লৈ স্বাৰ্থ প্ৰণোদিত ভাবে দুই চাৰিজনক মাত্ৰ অন্যায় ভাবে চাকৰি দি অসৎ চাকৰিয়াল জনদিয়েকক ৰক্ষণাবেক্ষণ দি সকলোকে ভুৱা দিছে, প্ৰতাৰণা কৰিছে। অসমৰ পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ বৃহদাৰ্থত, সমাজ ভিত্তিক অৰ্থনৈতিক উন্নতি একো নহ'ল। কিন্তু হিটলাৰ, গোয়েবেলচ্‌ৰ আৰ্হিত সুক্ষ্ম প্ৰচাৰ চলিল, ৰাজনীতিৰ চুৰান্ত চাতুৰী খেলি প্ৰথমবাৰৰ বাবে অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ বিহবীজ ৰোপন কৰা হল। সাম্প্ৰদায়িক মনোভাব সৃষ্টিৰ হকে কৰা প্ৰচাৰৰ এটা জলন্ত নিদৰ্শনৰ এখনি প্ৰচাৰ পত্ৰিকা আমাৰ হাতত বৰ্তমানো আছে। নিষ্পেষিত শোষিতজনৰ স্বীকৃতি হব লাগিব অৰ্থনৈতিক বৈষম্যৰ ভিত্তিত জাত কুলৰ বিচাৰেৰে নহয়। সমাজৰ আশু পৰিবৰ্তন আনিব লাগিব বৈজ্ঞানিক পৰ্য্যালোচনাৰ মূল মন্ত্ৰেৰে দীক্ষিত হৈ। সমগ্ৰ উজনী অসম ব্যাপী এক নতুন ৰাজ-নৈতিক আদৰ্শৰ প্ৰচাৰ হল এই আদৰ্শৰ মূল ভিত্তি হল সাম্প্ৰদায়িকতা। কোনে সৃষ্টি কৰিলে এই আলোড়ন? অসমত সাম্প্ৰদায়িক শ্ৰেণী বিভাজন সৃষ্টি কৰিবলৈ তেতিয়াৰ গৃহমন্ত্ৰীৰ পৃষ্ঠপোষকতাত জন্ম হল এক পাপচক্ৰৰ।

জৰুৰীকালিন আমোলত শিবসাগৰত সন্ত্ৰাসবাদৰ অবাধ ৰাজত্ব চলিল।

শ্ৰীশইকীয়াই প্ৰথমেই আহ্বান জনাইছে যে মোৰ অভিযোগ সমূহ ভিত্তি-হীন আৰু সেই অভিযোগ সমূহ প্ৰমাণযোগ্য নহলে মই পদত্যাগ কৰিব লাগিব। সেই আহ্বান গ্ৰহণ কৰিবলৈ মই প্ৰস্তুত। অসমত যি ঘটিছে তাৰ বিস্তৃৰ্ণ উদাহৰণেই মোৰ বক্তব্যৰ সত্যাসত্য নিৰূপন কৰিব। খুচুৰা উদাহৰণৰ পাতনি মেলি আজি এই সদনৰ কাৰ্য্যকাল উকলিবৰ সময়ত নিঃশান্তিৰ পৰিবেশ সৃষ্টি কৰিবলৈ মই কুণ্ঠবোধ কৰিছো। প্ৰয়োজন সাপেক্ষে উদাহৰণ ডাঙি ধৰা হব। পুলিচ বিভাগত নিযুক্তি সম্পৰ্কে তেওঁ মই মনে সজা পৰিসংখ্যা ডাঙি ধৰিছো বুলি অভিযোগ আনিছে। এই সংক্ৰান্তত মই জনাব খোজো যে এই পৰিসংখ্যা অত্যন্ত বিশ্বাসযোগ্য মহলৰ পৰা উদ্ধাৰ কৰা হৈছে। আনুসঙ্গিকভাবে জনাব পাৰি যে তেতিয়াৰ একাংশ কংগ্ৰেছী

নেতাই প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ওচৰত অসমত সাম্প্ৰদায়িক ৰাজনীতি সৃষ্টি আৰু অন্যান্য বিষয়ে অভিযোগ পত্ৰ দাখিল কৰিছিল। এই কংগ্ৰেছী নেতাসকলৰ ভিতৰত এতিয়া কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপে ৰাজ্য সভাৰ মজিয়া শুৱনী কৰা এগৰাকী ব্যক্তিও আছিল। মহকুমাধিপতি নিয়োগ প্ৰশ্নটো মন্ত্ৰী গৰাকীয়ে অত্যন্ত চাতুৰ্য্যৰে বৰ্ণনা কৰি তাত বিভিন্ন ব্যক্তিৰ নাম উল্লেখ কৰিছে কিন্তু বিশেষ এক ব্যক্তি—যি নেকি মহকুমাধিপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ গৈ দিন খপি খপি আকৌ প্ৰত্যাৱৰ্তন কৰিবলগীয়া হয়। সেই ব্যক্তি বিশেষ ৰোহিনী বৰুৱাৰ নাম তাত উল্লেখ নাই। যি কি নহওক, তেওঁৰ ৰাজনৈতিক অভিৰাজিৰ পৰিচয় প্ৰকাশ পাব যদিহে বিশেষকৈ ডিব্ৰুগড়, শিবসাগৰ, লক্ষীমপুৰ আদি স্থান বিশেষত উচ্চপদস্থ চাকৰিয়াল মকৰলৰ খতিয়ান লোৱা যায়।

তেওঁ মুখ্যমন্ত্ৰীয়ে জাতিভেদ দূৰ কৰিবলৈ আগবঢ়োৱা বৈবাহিক সূত্ৰৰ উল্লেখ কৰিছে। সন্দেহ নাই এই সূত্ৰ কাৰ্য্যকৰী কৰি তুলিব পাৰিলে ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা হব। কিন্তু হাস্যকৰ,—সদ্যহতে বা সহজেই প্ৰয়োগ কৰিব নোৱাৰা উচ্চ আদৰ্শৰ নীতিসূত্ৰ আবিষ্কাৰ কৰি কাৰ্য্যক্ষেত্ৰত ঠেক মনোবৃত্তি অৱলম্বন কৰাটো। হাতত বিস্তৰ ক্ষমতা থকা স্বত্বেও আজিকোপতি পিছপৰা শ্ৰেণীসমূহৰ অৰ্থনৈতিক দুৰ্গতিৰ উপশম নহয়। তেওঁলোকৰ উদ্ধাৰৰ নামত বিশেষকৈ শইকীয়াৰ অঙহি-বঙহি, আত্মীয় কুটুম্ব আৰু নিজ বাসস্থানৰ চৌদিশ ব্যাপ্ত এলেকাৰ জনগণক ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ প্ৰয়োজনত নিয়োগ কৰা হ'ল। এনে নিয়োগ পন্থাই প্ৰশাসনৰ গুৰিত কেৰোন চপোৱা নাইনে? এনে ঠেক আদৰ্শবাদে অতীজত যিসকলে অসমত সুস্থ জাতীয়তাবাদ প্ৰতিষ্ঠাৰ সোপান মেলিছিল তেওঁলোকৰ আদৰ্শত কুঠাৰাঘাত কৰা নাইনে? মন্ত্ৰীৰ ঠেক, নীতি-বিহৰ্গিত কৰ্মসূচীয়ে ৰোহিনী হাতিবৰুৱা, কৃষ্ণনাথ শৰ্মা, অম্বিকাগিৰিৰ সপোন ধুলিস্যাত কৰা নাইনে? মন্ত্ৰীৰ ৰাজনৈতিক অভিসন্ধি জলজল পটপট হৈ ওলাই পৰিব—ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰৰ ৰাইজৰ মনৰ গমগতি ললে। —ওলাই পৰিব তাৰ প্ৰশাসন যন্ত্ৰৰ সংগঠন আৰু নিয়ন্ত্ৰণৰ পৰিচয় ললে! কোনে সৃষ্টি কৰিলে এই মানসিক বিভাজন? যদি চৰকাৰৰ নীতি আৰু কৰ্মসূচী অনুন্নত, পিছপৰা

আৰু দুখীয়া ৰাইজৰ উদ্ধাৰৰ ভিত্তিতেই প্ৰতিষ্ঠিত হৈছিল—তেন্তে তাৰ পৰিণাম ভিন্ন ৰূপত কিয় ?

মই আগেয়ে উল্লেখ কৰি আহিছো—এচাম দুৰ্নীতি পৰায়ণ লোকক ৰক্ষণাবেক্ষণ দি থকা হৈছিল। জৰুৰী অৱস্থাৰ কালছোৱাত যেতিয়া নিৰ্বিবাদে চৰকাৰী চাকৰিয়ালক অব্যাহতি দিয়াৰ ধুম পৰিছিল তেতিয়া এই বিষয়াসকল তেওঁলোকৰ বিৰুদ্ধে এটি কোৱাপচন ৰিপোৰ্ট থকা স্বত্বেও আৰু ৩১১ ধাৰাত তেওঁলোকক অব্যাহতি দিয়াৰ ব্যৱস্থা থকা স্বত্বেও তেওঁলোকৰ কোনো বিঘিনি নহ'ল। এই বিষয়ে মন্ত্ৰী নিমাত ? সুস্থ প্ৰশাসনৰ মূল মন্ত্ৰ নিৰপেক্ষ মনোভাব দলিয়াই দি কোন যুক্তিত কেৱল এচাম দুৰ্নীতিগ্ৰস্ত লোকক ত্ৰাণ কৰা হ'ল ? বৰং ৩ জন দুৰ্নীতিৰ চেকা লগা বিষয়াক উচ্চ স্তৰলৈ প্ৰমোচনহে দিয়া হ'ল। ১৯৭২—৭৩ চনত শিৱসাগৰত অত্যাচাৰৰ তাণ্ডৱখেলাৰ অৱতাৰণা কৰা হৈছিল ক্ষমতাত উচ্চস্থ বিষয়া জনদিয়েকৰ মইমতালিত নিৰপৰাধ দুৰ্বল ৰাইজৰ জীৱনৰ স্বীকৃতি হেৰাইছিল। কাৰ ৰাজনৈতিক পৃষ্ঠপোষকতাত হাতে বচা চৰকাৰী বিষাই উশৃঙ্খলতা কৰিব পাৰিছিল তাক দোহোৰাৰ প্ৰয়োজন নাই।

মন্ত্ৰী মহোদয় শইকীয়াই যোৱাবাৰ বাজেট অধিবেশনত মোৰ অনুপস্থিতিত পুলিচ বাজেটৰ বিতৰ্কৰ সন্দৰ্ভত দিয়া বিবৃতি ভ্ৰান্তি কৰাৰো উদ্দেশ্য প্ৰণোদিত। এই সংক্ৰান্তত ইতিমধ্যে আমাৰ ফালৰ পৰা সংসদীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এইটো এতিয়াও আপোনাৰ বিচাৰ্য্যৰ বিষয় হৈ আছে।

সৰ্বশেষত মই জনাবলৈ বিচাৰিছোঁ যে মন্ত্ৰী মহোদয়ে অসম ৰোগাক্ৰান্ত, ক্ষত-বিক্ষত আৰু নিঃশেষ কৰিবলৈ উপকৃত হৈছিল, আপ্ৰাণ চেষ্টা কৰিছিল আৰু কৰি আছে। তাৰ প্ৰমাণ তেওঁৰ কাৰ্য্যাৱলী। অসমীয়া ৰাইজৰ অৰ্থনৈতিক দুৰ্বলতাৰ সুবিধা লৈ তেওঁ অপপ্ৰচাৰ কৰিছিল আৰু মানসিক বিভ্ৰান্তিৰ সৃষ্টি কৰিছিল। তেওঁৰ কু-অভিসন্ধি ফলপ্ৰসু হৈছে—অসমীয়া জাতীয়তাবাদৰ আদৰ্শত কেৰোণ সোমাইছে—তেওঁৰ প্ৰশাসনৰ আমোলত

দুষ্কৃতি, কু-কাৰ্য্যৰ বিহ-বীজ ৰোপণ কৰা হৈছে। ইয়াৰ প্ৰতিক্ৰিয়া সুদূৰ-প্ৰসাৰী আৰু ভয়ংকৰ।

সেইকাৰণে মই আৰু বিশেষ নকও এই বিধান সভাত এই বিবৃতি দিয়াৰ কাৰণে যি দোষ ত্ৰুটি হৈছে আপোনাৰ যোগেদি এই সদনত তাৰ বাবে ক্ষমা বিচাৰিছোঁ। আৰু এই বিষয়ে কোনো ধৰণৰ তিক্ততা কৰিলেও ৰাজনীতি কৰা মানুহ হিচাপে কৰ্তব্য পালন কৰিছোঁ। এইখিনি কৈয়ে মোৰ বিবৃতি শেষ কৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (শিক্ষামন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াৰ লগত মোৰ বহুত দিনৰ সম্পৰ্ক আছে। কটন কলেজত তেখেতৰ লগত একেলগে পঢ়িছিলো। চিলঙতো ২ বছৰ একেলগে আছিলো। আৰু এতিয়াও তেখেতৰ লগত একেলগে আছোঁ। বহু ঘটনাত বহুত সময়ত তেখেতৰ লগত জৰিত হৈ আছোঁ। সেইবিলাক জীৱনৰ অতীত হ'লেও আমাৰ ৰেকৰ্ডত আছে। ৰাজনৈতিক আদৰ্শত তেখেতৰ লগত অলপ পাৰ্থক্য ঘটিছে যদিও বৰ্তমান মই এটা পাৰ্টিত আৰু তেখেত নিৰ্দলীয় সদস্য হিচাপে আছে। সেইবিলাক কথা বাদ দিলেও তেখেতক মই ককাইদেউ হিচাপে মানি আহিছোঁ, শ্ৰদ্ধা কৰি আহিছোঁ আৰু এতিয়াও সেই একেই শ্ৰদ্ধা আছে। তেখেত বিধান সভাৰ মাননীয় সদস্য হিচাপে ১৯৬২ চনৰ পৰা কাৰ্য্য নিৰ্ব্বাহ কৰিছে। অৱশ্যে তেখেতৰ মতে মই ইমেচিয়ৰ যদিও তেখেতক কিন্তু মেচিয়ৰড বুলিয়ে ভাবো আৰু সেইমতে বহু ক্ষেত্ৰত তেখেতৰ পৰা পৰামৰ্শ বিচাৰো। যোৱা ৬ বছৰত বিধান সভাত আমি একেলগে আছোঁ আৰু বহুত কথাই হৈছোঁ। আৰু সদনৰ সদস্য হিচাপে কথা কোৱাৰ প্ৰিভিলাইজ পাইছো। শ্ৰদ্ধেয় বৰুৱা ডাঙৰীয়াই মোৰ বিষয়ে যিকেইটা অভিযোগ তুলিছে সেইবিলাক আচলতে সত্যতা প্ৰমাণ কৰিহে উল্লেখ কৰিব লাগে। কিন্তু তাত সত্যতা নাই। তেখেতৰ প্ৰায় ভাগেই মোৰ ঘৰৰ সম্পৰ্কত বিকৃত কথা। বহুবাৰ মই সেই কথা-বিলাক মিছা বুলি কৈছো আৰু এতিয়াও তাকে দোহাৰিছো। কিন্তু যদি

* Speech not corrected.

সঁচা হয়, অধ্যক্ষ মহোদয়, আপোনালোকে যি শাস্তি প্ৰদান কৰে সেই শাস্তিকে মুখ পাতি লবলৈ মই প্ৰস্তুত আছো। চাৰিটা কথাৰ ওপৰত তেখেতে গুৰুত্ব দিছিল। তেখেতে আজিও কৈছে। অধ্যক্ষ মহোদয়, মই তেখেতৰ বক্তৃতাৰ বাক্যকে উদ্ধৃত কৰিব বিচাৰিছো—

Shri Gaurisankar Bhattacharjee :—Sir. I raise on a point of order. What are going to do ? Are you entering into a duel or a duet, or what ? Two members will go on giving statement and counter statements and statements again—under that Rule of this House ? If they are brothers, colleagues, ex-colleagues of Shillong, Cotton College, let them decide the matter outside the House; We are not concerned with this and the time of the House may not be taken by this; let them embrace each other and let us hope that they would start this outside.

Shri Sarat Chandra Sinha (Chief Minister) :—Sir, we also feel that there will be no end of it.

মাননীয় অধ্যক্ষ :—এইটো শেষ হব লাগে। এইটো দায়িত্ব মোৰ গাতেই পৰে। কিয়নো ষ্টেটমেণ্টটো মইহে এলাও কৰিলো। এইটো মই ভুল কৰিছো। স্পাই ৰুলত আছে আগতে কোনেও দিয়া দেখা নাই। ২০-২২ বছৰ হ'ল আজিলৈকে হোৱা নাই। এইটো নেভাৰ এণ্ডিং বিজনেচ হব। মুখ্যমন্ত্ৰীয়ে আপিল কৰিছে লিডাৰেও কৰিছে এইটো ইয়াতে শেষ হওক।

শ্ৰীপিটচিং কোঁৱৰ :—হয় চাৰ। এনেকে থাকিলে কাৰো ডিমাক নাথাব।

শ্ৰীনগেন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাৰ প্ৰতি ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। পাঁচ বছৰৰ অতিৰিক্ত কৰ

দিয়াৰ নোটিচ দিয়াৰ কাৰণে তেওঁলোকৰ ফালৰ আপত্তি হৈছিল সেই সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা কি সিদ্ধান্ত লৈছে সেইটো জনাবলে ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই সম্পৰ্কত এঘাৰ তাৰিখৰ পৰা জৰীপ বিভাগৰ কৰ্মচাৰীসকলে অবিৰাম ধৰ্মঘট আৰম্ভ কৰিছে তেওঁলোকৰ চাৰিটা দাবীৰ সন্দৰ্ভত। এই সন্দৰ্ভত চৰকাৰে কি সিদ্ধান্ত লৈছে বা কি ভাবে তেওঁলোকৰ দাবীবিলাক সমাধা কৰিবলৈ বিচাৰিছে তাৰ কোনো ব্যৱস্থা নকৰিলে অবিৰাম ধৰ্মঘট চলাই থকাৰ কথা জনাইছে। সেই কাৰণে মই কথাটো ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ :—কাইলৈ বিবৃতি দিব।

Shri Md. Umaruddin ( Minister ) :– I will give a bried statement on the situation. Now so far as the strike by the Mandals and Kanungoes are concerned when I had . . . . . .

Mr. Speaker :—You want to make the statement now ?

Shri Md. Umaruddin ( Minister ) : –I can give it now.

( Voice from the Treasury Bench : give it to-morrow )
All right Sir, I will make the statement to-morrow.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত ৰাজহ মন্ত্ৰীক এইটো অনুৰোধ কৰিব বিচাৰিছো যে জৰীপ বিভাগৰ কৰ্মচাৰীসকলে অবিৰাম ধৰ্মঘট চলাই যাবলৈ সিদ্ধান্ত লৈছে। সেই পৰিপ্ৰেক্ষিতত তেওঁলোকে চৰকাৰৰ লগত আলোচনাও কৰিছিল। নৱেম্বৰ মাহৰ দহ তাৰিখে আলোচনা কৰিছিল। তেওঁলোকৰ চাৰিটা দাবীৰ ভিতৰত এক আৰু দুই নম্বৰ দাবী মানি লৈছে যদিও চৰকাৰী সিদ্ধান্ত ঘোষণা কৰা নাই। চৰকাৰে যিহেতু নীতিগত ভাবে সেই দুটা মানি লৈছে সেই সম্পৰ্কত এটা স্পষ্ট ঘোষণা কৰি দিয়াটোৱে আমি বিচাৰো যাতে তেওঁলোকৰ ধৰ্মঘটৰ শেষ হয়।

অধ্যক্ষ :—বিবৃতি কাইলৈ দিব ।

শ্ৰীমতী ৰেবতী বালা দাস :—অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে এটা কথা সদনৰ লগতে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কথাটো হ'ল যোৱাকালিৰ 'দৈনিক অসম' কাকতত ওলাইছে 'নাবালিকাৰ অপহৰণ' শিতানত ।

( অধ্যক্ষৰ ঠাইত উপাধ্যক্ষই আসন লয় )

Mr. Deputy speaker :—I want to know whether these are included in the list of bussiness for today ? ( Voice Hon'ble speaker allowed ) All right. This is the last.

শ্ৰীমতী ৰেবতী বালা দাস : এই কাৰণে উল্লেখ কৰিব বিচাৰিছো যে বহু বছৰ ধৰি মহিলাসকলৰ ওপৰত অত্যাচাৰ অনাচাৰ চলি আহিছে । দুৰ্বল হোৱা কাৰণেই—

উপাধ্যক্ষ :—কেবল এটেনচন ড্ৰ কৰক ।

শ্ৰীমতী ৰেৱতী বালা দাস :—সেই কাৰণে মহিলা সমাজৰ হৈ মুখ্যমন্ত্ৰী মহোদয়ক এই কথা অবগত কৰা হৈছে । মই মহিলা সমাজৰ হৈ দাবী জনাইছো যাতে এইবিলাক কামৰ পৰা মহিলাসকলক ৰক্ষা কৰাৰ দিহা কৰে ।

Mr. Deputy speaker :—Now item No. 2 Dr. Goswami.

* Dr. Robindra Kumar Goswami :—Mr. Deputy Speaker, Sir, under Rule 301 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly I beg to raise the matter appeared in the 'Economic Times' dated 5th September, 1977 under the caption "ST Refund offer by Assam Government."

* Speech Not Corrected

I am raising this matter only to draw the attention of the House to one simple thing that the Government while dealing with the question of inesentive to the small scale industries in the year 1971 the rules under the Assam Finance (Sales Tax) Act 1956 were emended. Under the rules a provision has been make to refund all sales tax paid by the small scale industries on the purchase of raw materials for manufacturing purpose within the State. But sir, you will be surprised to know that the rules which were amended in 1971 remained ineffective. The reason is that the amended rule 45 A has a provision which says "for the purpose of this rule the State Government by a notification in the official Gazette shall specify the class or classes of goods which shall be treated as raw materials." It is very strage that though a period of 6 years since the rules was amended has elapsed Government has failed to specify whic are the goods to be classified as raw materials. So Sir, this is a gross reflaction on the functioning and efficiency of the Finance Department and also proves the point that Government only gives lip service for the development of small scale industries in the State and does not mean serious business.

Shri Md. Idris (Minister) :—Mr, Deputy Speaker, Sir, In 1967 the State Cabinet approved an Industrial Policy Resolution which, among other things, accepted the principle of exemption of industrial raw materials from sales tax so as to facilitate competitive marketing of

goods produced in Assam. Simultaneously, the Assam sales Tax Act, 1947 and Assam Finance (sales Tax) Act, 1956 were amended so as to enable Government to make rules for specifying the circumstances etc. in which drawback/set-off/refund of sales tax on raw materials could be granted.

In 1969 provisions were made in the Assam Finance (Sales Tax) Rules, 1956 by means of a rule 46-A for grant of drawback/set-off/refund of the amount of tax paid on the purchase of raw materials for the manufacture of goods for sale if the Commissioner of Taxes was satified that the raw materials had been used in Assam in the manufacture of goods for sale. This rule 46-A was brought into force with effect from 1.1.68 under this rule all industries became entitled with effect from 1.1.68 to drawback etc. of sales tax on all raw-materials. During the period from 1969 to 1971 draw back etc. to the extent of about Rs. 70,000/- was also granted to some industries under the rule.

But, there was a feeling that the concession of drawback etc. should be extended only to some industries in respect of selected raw materials only since well established industries do not need this special incentive. Accordingly, rule 46-A was amended in November, 1971 so as to confine the concession to small-scale industries only with fixed capital investment not exceeding Rs 5 lakhs and to limit it to raw materials only as may be notified

by Government. This new rule 46-A was also brought into force with effect from 1.1.68 i. e. the date with effect from which the concession had initially been given almost without any restriction.

In vires of the new Rule 46 A was challenged by various parties before the Hon'ble Gauhati High Court by means of write petitions which have not yet been disposed of. Two of the grounds on which the new rules has been challenged are :

1) Retrospective withdrawal of the concession in respect of units with a fixed capital investment exceeding Rs. 5 lakhs.

2) Making of the new rule without previous publication as provided in section 39 of the Assam Finance (Sales Tax) Act, 1956.

The Industries Department has since indentified the raw materials to which the concession may apply. This list is being examined and a decision in the matter will be taken soon. It is expected that the Taxation Department will be in a position to grant drawback etc. in all pending cases as soon as the raw-materials to which the concession will apply are notified by the Finance Department.

Sir, it is a fact that this matter has been unduly delayed. However, I will see how soon it can be sorted out.

Shri Giasuddin Ahmed :—Sir, I had a notice under 301. Though it is not included in the agenda paper, I was given to understand that I could raise it.

Mr. Deputy Speaker :—It is not recorded. How can I allow? There is already one 301.

Shri Giasuddin Ahmed :—Sir; .... (Shri Atul Chandra Saikia rose.)

Mr. Deputy Speaker :—Let us finish 301 first. Yes, Mr. Saikia.

Shri Atul Chandra Saikia :—May I know how many cases are pending and since when these are pending ?

Shri Md. Idris ( Minister ) :—The details are not with me Sir.

Shri Giasuddin Ahmed :–Sir, I wanted to draw the attention of the House on an important matter but that has not been listed in the today's business. I am given to understand that I would be allowed to raise the matter today.

Shri Atul Chandra Saikia :—Sir, may I know from the Minister how many cases are pending and how long it continues i.e. the duretion of the cases?

Shri Md. Idris ( Minister) :—The details are not with me here. I am sorry for that, sir.

Shri Giasuddin Ahmed :– Sir, it is a matter of great importance. The incidence has also been reported in the Assam Tribune on 6th of November. The fact is that the river Jinjiram runs through Lakhimpur–south Salmara in the district of Goalpara parallel to the District of Garo Hills and Meghalaya. sir, this river was settled as fishery to some Fishery Co-operative society of the locality. But surprisingly, as reported in the press some portion of this river have been settled with some leasee by the Meghalaya Govt. also as a result of which this dispute occured. sir, these fishermen from the Meghalaya areas encroached into the fisheries of Jinjiram river and moreover Meghalaya Police arrested some fishermen of the district of Goalpara from within the jurisdiction of the District of Goalpara. This Meghalaya Police enchroached into the boarder of the District of Goalpara, arrested some persons and took them to the Meghalaya boarder. That happened on 25.10.77 at 12 noon. This is a very serious matter and therefore, unless timely action is taken in co-operation with the Meghalaya Government to settle this matter amicably it is apprehended that this matter may flare up as something boarder dispute. So, I wanted to draw the attention of the Govt. to this matter of great public importance.

Shri Sarat Chandra Sinha ( Chief Minister ) :—Sir, I will look into-it.

* ডঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়ম অনুসৰি এক জৰুৰী ৰাজহুৱা গুৰুত্বৰ বিষয় 'অসমত বিদ্যুত পৰিস্থিতি আৰু অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ ব্যৰ্থতা' সম্পৰ্কে এটা আলোচনা মই ডাঙি ধৰিব বিচাৰিছোঁ।

বৰ্তমান যুগত অৰ্থনৈতিক উন্নয়ন নিৰ্ভৰ কৰে বিদ্যুত শক্তিৰ সহজ লভ্যতাৰ ওপৰত। কিন্তু উদ্যোগৰ ভেটি স্বৰূপ বিদ্যুত শক্তিৰ ওপৰত যিখিনি প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰিব লাগিছিল সেই গুৰুত্ব অসম চৰকাৰে আজিলৈকে দিয়া নাই। প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ভাৰতৰ ভিতৰত অসমতে বিদ্যুত উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক সম্পদ প্ৰচুৰ আছে। তথাপিও অসমত বিদ্যুত উৎপাদনৰ ছবিখন অতিশয় হতাশাজনক আৰু শোচনীয়।

১৯৭৫ চনৰ ২১ জানুৱাৰীত অসম ৰাজ্যিক বিদ্যুত বোৰ্ড অসম আৰু মেঘালয়ৰ মাজত বিভক্ত হ'ল। এই বিভাজনৰ পাছত জলবিদ্যুত প্ৰকল্প বোৰ্ড মেঘালয়ৰ হাতলৈ গ'ল। অসম ৰাজ্যিক বিদ্যুত বোৰ্ডৰ হাতত থাকিল নামৰূপ আৰু চন্দ্ৰপুৰৰ তাপ বিদ্যুত কেন্দ্ৰ দুটা। বোৰ্ডৰ অধীনত সৰ্বমুঠ উৎপাদন ক্ষমতা ( ইঞ্চটল কেপাচিটি ) হ'ল ১৪১.৫ মেগা ওৱাট তাৰ বিপৰীতে উৎপাদন হয় ৯৭ মেগা ওৱাট।

নামৰূপে অকল উজনি অসমৰ একাংশ প্ৰয়োজনহে পূৰ কৰিব পাৰে। তাৰোপৰি উজনি অসমত বিদ্যুতৰ ঘাটি হ'ল ২০ মেগা ওৱাট।

যিহেতু নামনি অসমত বৰ্তমান চন্দ্ৰপুৰত থকা তাপ বিদ্যুত কেন্দ্ৰ এটাই সেই কাৰণেই নামনি অসমত ঘাইকৈ বিদ্যুত যোগান ধৰা হয়। মেঘালয়ৰ উমিয়াম উমত্ৰু কেন্দ্ৰৰ পৰা চন্দ্ৰপুৰত থকা তাপ বিদ্যুত কেন্দ্ৰটো সামান্য কাৰণতেই অচল হৈ পৰে। মাজতে বহুদিন অচল হৈ আছিল আৰু ১৮ মাহ পিছত বিদেশৰ পৰা ইঞ্জিনীয়াৰ আনি ভাল কৰিব লগীয়া হৈছিল।

* Speech not corrected.

এটা ইউনিটকে মাহৰ পিছত মাহ চলাই ৰখাটো সম্ভৱপৰ নহয়। গতিকে এই কেন্দ্রটোৰ পৰা নিশ্চিতভাবে বিদ্যুত যোগান আশা কৰিব নোৱাৰি আৰু ই নামনি অসমৰ বিদ্যুতৰ চাহিদাও মিতাব নোৱাৰে। সেই কাৰণে নামনি অসমৰ বিদ্যুতৰ বাবে মেঘালয় বিদ্যুত বোৰ্ডৰ অনুগ্রহৰ ওপৰত নির্ভৰ কৰিব লাগিব। আনহাতেদি উমিয়াম, উমত্রুৰ বিদ্যুত উৎপাদন যথেষ্ট নহয়। উক্ত কেন্দ্রৰ বিদ্যুত উৎপাদনৰ পৰিমানো নির্ভৰ কৰে বৰাপানীৰ হ্রদত মজুত থকা পানীৰ ওপৰত। গতিকে যোৱা ৪ বছৰ ধৰি বলবৎ হৈ থকা বিদ্যুত কর্তন অর্থাৎ পাৱাৰ কাট ব্যৱস্থাৰ পৰা হাত সৰা কোনো উপায় নাই। এনেধৰণৰ বিদ্যুত কর্তনে অসমৰ অর্থনীতিত ক্ষতিকাৰক প্রভাব পেলাইছে।

বর্তমান অসমত বিদ্যুতৰ চাহিদা ৩২৮ মেগা ওৱাট। মেঘালয়ৰ পৰা বিদ্যুত যোগান নিয়মীয়া হব বুলি ধৰি ললেও পঞ্চম পৰিকল্পনাৰ শেষত অসমত ৩০০ মেগা ওৱাট ঘাটি পৰিব। ষষ্ঠ পৰিকল্পনাৰ শেষত এই ঘাটিৰ পৰিমান ১০০০ মেগা ওৱাট হবগৈ।

এই বিৰাট পৰিমানৰ ঘাটিৰ বাবে কোন দায়ী? বিদ্যুত বোর্ড আৰু বিদ্যুত বোর্ডৰ আঁচনিত দূৰদর্শিতাৰ অভাবেই এই ঘাটিৰ বাবে মূলতঃ দায়ী। বোর্ডে তাপ বিদ্যুতৰ তুলনাত অধিক মূলধন ব্যয় কৰি প্রকৃতিৰ ওপৰত নির্ভৰশীল জলবিদ্যুত প্রকল্পত বেচি গুৰুত্ব দিলে। তাকো খাচীয়া পাহাৰতে আবদ্ধ ৰাখিলে।

আৰম্ভনিতেই চন্দ্রপুৰত তাপ বিদ্যুত কেন্দ্রৰ বাবে ৩০ মেগা ওৱাটতকৈ দুটা ইউনিট নির্মাণৰ আঁচনি গ্রহণ কৰা হৈছিল। পৰিকল্পনা আয়োগৰ অনুমোদনো আছিল। কিন্তু কোনো অগ্রতি কাৰণত এটা ইউনিটৰ নির্মাণ সম্পূর্ণ কৰি দ্বিতীয় ইউনিটৰ কাম স্থগিত ৰাখিলে। তাৰ পৰিবর্তে দুর্গম নাঙল বিব্রাত ৫ মেগা ওৱাটৰ এটা জলবিদ্যুত প্রকল্পত বেচি গুৰুত্ব দিলে যিটো নির্মাণ হওতে ৮ বছৰ লাগিল। অতি দুর্ভাগ্যৰ কথা যে অসমৰ ভিতৰতে প্রাকৃতিক গেচ আদিৰ ভিত্তিত অধিক ক্ষমতা সম্পন্ন তাপ বিদ্যুত কেন্দ্র নির্মাণত অসমতে গুৰুত্ব দিয়া নহল।

পলমকৈ হলেও বোৰ্ডে বঙাইগাওঁ প্ৰকল্পৰ কাম আৰম্ভ কৰিছে। বোৰ্ডে পূৰ্বতে পৰিত্যাগ কৰা কপিলী প্ৰকল্পৰ কাম উত্তৰ-পুব পৰিষদে হাতত লৈছে। কিন্তু ধান পকে মানে তুনীৰ মৰণ। কাৰণ এইবোৰ প্ৰকল্প সম্পূৰ্ণ হবলৈ কেইবাবছৰো লাগিব। বঙাইগাওঁৰ চালাকাটি তাপবিদ্যুত প্ৰকল্পৰ কামৰ লেহেম গতিলৈ চাই অহা ৫ বছৰৰ পূৰ্ব্বে সি সম্পূৰ্ণ হোৱাতো আশা কৰিব নোৱাৰি। গতিকে অদূৰ ভবিষ্যতৰ ক্ৰমবৰ্দ্ধমান বিদ্যুতৰ চাহিদা পূৰাবলৈ কোনো নিশ্চিত ব্যৱস্থা নাই।

১৯৭৪ চনত নতুন দিল্লীত কেন্দ্ৰীয় শক্তি দপ্তৰৰ মন্ত্ৰীৰ উপস্থিতিত অসম আৰু মেঘালয়চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয় আৰু সেই চুক্তি অনুসৰি ১৯৭৫ চনৰ ২১ জানুৱাৰীত অসম ৰাজ্যিক বিদ্যুত বোৰ্ডক অসম আৰু মেঘালয়ৰ মাজত বিভাজন কৰা হয়। চৰকাৰীভাৱে এই চুক্তি পত্ৰৰ বিশদ বিবৰণ আজিলৈকে প্ৰকাশ হোৱা নাই। এই চুক্তি অনুসৰি ১৯৮১ চন পৰ্য্যন্ত মেঘালয় চৰকাৰে তেওঁলোকৰ "নিজা চাহিদা" পূৰণ কৰি বাকী ৰাহি হোৱা বিদ্যুত অসমলৈ যোগান দিবলৈ মান্তি হৈছে। কিন্তু "নিজা চাহিদা" কথাটো এটা ৰিলেটিভ বা সাপেক্ষিক কথা। ৰাজনৈতিক প্ৰয়োজনতো এই চাহিদাৰ কম বেচি ঘটিব পাৰে আৰু ১৯৮১ চনৰ পিছত কি হব। ১৯৮১ চনৰ ভিতৰত বিদ্যুত উৎপাদনৰ ক্ষেত্ৰত অসম স্বয়ং সম্পূৰ্ণ হৈ উঠাৰ কোনো সম্ভাৱনা আমি দেখা নাই। অসমৰ কৰদাতাসকলৰ অৰ্থত যি বিদ্যুত কেন্দ্ৰবোৰৰ জন্ম হৈছিল সেই কেইটাক লৈ মেঘালয় বিদ্যুতৰ ক্ষেত্ৰত ৰাহি ৰাজ্যত পৰিণত হল আৰু আনহাতেদি অসমত বিদ্যুত সংকট ঘনীভূত হৈ পৰিল। এনে এটা অৱস্থাত অসম চৰকাৰৰ পক্ষে বিদ্যুত ঘাটি পূৰাবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ অৰ্থ সাহাৰ্য্য দাবী কৰা উচিত আছিল।

মেঘালয় স্বকীয়া ৰাজ্য হোৱা বহুত দিন হ'ল। অসম চৰকাৰে এনেবোৰ সম্ভাৱনা আগতেই অনুমান কৰি অসমৰ ভৌগলিক সীমাৰ ভিতৰত অধিক বিদ্যুত উৎপাদনৰ প্ৰয়োজনীয় ব্যৱস্থা লব লাগিছিল। কিন্তু তাকে নকৰি মেঘালয়ৰ কিৰদেম কুলাই বিদ্যুত উৎপাদন কেন্দ্ৰৰ আৰ্থিক দায়িত্ব অসম চৰকাৰে ১৯৭৫ চনৰ ২১ ফেব্ৰুৱাৰী পৰ্য্যন্ত বহন কৰিছে। ১৯৭৪-৭৫ চনৰ

আৰ্থিক বছৰটোত অসম চৰকাৰে মেঘালয়ৰ এই বিদ্যুত উৎপাদন কেন্দ্ৰৰ বাবে মুঠ ২ কোটি ১০ লাখ টকা খৰছ কৰিছে। এই অৰ্থ আদায়ৰ বাবে অসম চৰকাৰে কোনো ব্যৱস্থা কৰা নাই। সময়মতে তৎপৰতা নেদেখুৱাৰ বাবে অসমৰ হাতত এটাও জলবিদ্যুত প্ৰকল্প নেথাকিল। অসম সম্পূৰ্ণভাবে পৰমুখাপেক্ষী হৈ থাকিব লগা হ'ল।

১৯৭২ চনৰ ২৫ চেপ্তেম্বৰ তাৰিখে অসম বিধান সভাই এটা প্ৰস্তাৱ যোগে মাননীয় বিজয়কৃষ্ণ সন্দিকৈৰ নেতৃত্বত সদনৰ সদস্যসকলক লৈ এখন তদন্ত কমিটি গঠন কৰি দিছিল। সেই তদন্ত কমিটিয়ে সদনত প্ৰতিবেদন দাখিল কৰা তিনিবছৰ হল। কিন্তু এই কমিটিৰ পৰামৰ্শবোৰ কাৰ্য্যকৰী কৰা নহ'ল।

তদন্ত কমিটিয়ে দিয়া পৰামৰ্শ অনুযায়ী ৰাজ্যিক বিদ্যুত বোৰ্ডখন আজিলৈকে গঠন কৰা হোৱা নাই। বোৰ্ড কাৰিকৰী লোকতকৈ আমোলাৰ প্ৰভাব বেছি। ইয়াত শ্ৰমিক সংগঠনৰ কোনো প্ৰতিনিধি নাই।

প্ৰতিবেদনত বোৰ্ডৰ প্ৰধান কাৰ্য্যালয় সম্পৰ্কীয় এটা গুৰুতৰ ত্ৰুটিৰ কথা উল্লেখ কৰিছে। ১৯৫৯ চনত অসম মন্ত্ৰী সভাই বৰ্ডৰ প্ৰধান কাৰ্যালয় গুৱাহাটীত পাতিব লাগে বুলি সিদ্ধান্ত লোৱা স্বত্বেও, তাৰ পিছতো সোতৰ বছৰ সদৰ কাৰ্য্যালয় চিলঙত ৰখা হল। ১৯৭৪ চনত সদনৰ তদন্ত কমিটিয়ে প্ৰতিবেদন দাখিল কৰিলে। ১৯৭৫ চনৰ ২১ জানুৱাৰীত বোৰ্ড বিভক্ত হ'ল। কিন্তু সদৰ কাৰ্য্যালয় নমাই অনাৰ কাম আৰম্ভ হ'ল ১৯৭৫ চনৰ ডিচেম্বৰত। এতিয়াও সম্পূৰ্ণভাবে অহা নাই। এডিচনেল চীফ ইঞ্জিনীয়াৰ চিভিল আৰু চুপাৰিনটেণ্ডিং ইঞ্জিনীয়াৰ ডিজাইনাৰ এতিয়াও চিলঙতে আছে। চিলঙৰ বোৰ্ডৰ কাৰ্য্যালয় স্থানান্তৰ কৰা পূৰ্ব মুহূৰ্তত ৪০ হেজাৰ টকা খৰছ কৰি ডেপুটি চীফ পাৰ্চনেল বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণ কৰা হ'ল। অভিযোগ উঠিছে যে এজন ব্যক্তিগত মানুহৰ মাটিত উক্ত কাৰ্য্যালয় নিৰ্মাণ কৰাৰ ফলত সেই মানুহজনে সেই কাৰ্য্যালয় ঘৰটো বিনা পইছাই লাভ কৰে। সদনৰ তদন্ত কমিটিৰ প্ৰতিবেদনৰ দ্বিতীয় খণ্ডৰ ৪১ আৰু ৪২ পৃষ্ঠাত

অনিয়ম, অপচয়, অপব্যৱহাৰৰ ফলত বোৰ্ডৰ এক কোটি ৪৬ লাখ ৫৪ হেজাৰ ৮২৯ টকা ক্ষতি হৈছে বুলি উল্লেখ কৰিছে। এই বিষয়ে কোন দায়ি তাক সাব্যস্ত কৰি দোষিক শাস্তি দিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

বোৰ্ডে আজিলৈকে মূল্যায়ণৰ ব্যৱস্থা নললে যাৰ ফলত বোৰ্ডে বিপুল পৰিমাণৰ অতিৰিক্ত ব্যয় বহন কৰিব লগা হৈছে আৰু আঁচনিবোৰ কাৰ্য্যকৰী কৰোঁতে অনাৱশ্যক ভাবে পলম হৈছে।

সদনৰ দ্বাৰা গঠিত তদন্ত কমিটিৰ প্ৰতিবেদনত উল্লেখিত ভুল-ক্ৰুটি অনিয়ম অবিচাৰ, অপচয়, অপব্যয়ৰ ফলত বোৰ্ড যি দুৰবস্থা হৈছে তাক আঁতৰ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নহল। বৰঞ্চ এইবোৰ কাৰ্য্যকলাপ বৃদ্ধিহে হৈছে।

অসমৰ বিদ্যুত বোৰ্ডত তিনিজনকৈ চীফ ইঞ্জিনীয়াৰ আৰু ছজনকৈ এডিচনেল চীফ ইঞ্জিনীয়াৰ আছে। ভাৰতবৰ্ষৰ আন কোনো বিদ্যুত বোৰ্ডত নাই। বোৰ্ডখন অৱসৰপ্ৰাপ্ত লোকৰ ভূস্বৰ্গ হৈ পৰিছে। বৰ্তমান চেয়াৰমেনজন সৈন্য বিভাগৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল। মন্ত্ৰী সভাত কোনো আলোচনা নকৰাকৈ এনে এটা গুৰুত্বপূৰ্ণ পদত এইজন লোকক নিযুক্তি দিয়া হ'ল। গুৱাহাটীত পল্টন বজাৰত বোৰ্ডৰ মুখ্য কাৰ্য্যালয় স্থাপনৰ সিদ্ধান্ত কৰি তাত টকাও খৰছ কৰা হ'ল। কিন্তু বৰ্তমানৰ চেয়াৰমেন গৰাকীয়ে এই সিদ্ধান্ত সলনি কৰি নাৰেঙ্গীলৈ নিবলৈ স্থিৰ কৰিলে। জৰুৰী কালীন অৱস্থা চলি থকাৰ সময়ত চেয়াৰমেনে কাৰো লগত পৰামৰ্শ নকৰাকৈ এই সিদ্ধান্ত লৈছিল। পিছত মিতব্যয়ীতাৰ যুক্তি দেখুৱাই কৈছিল যে ঘৰ ভাৰাৰ বাবদ খৰছ হোৱা ২ লাখ ৮০ হেজাৰ টকা ৰাহি হব। নাৰেঙ্গীত এই বছৰৰ মাৰ্চ মাহলৈকে ২২ লাখ টকা খৰছ কৰি লবালৰিকৈ গোদামৰ দৰে ঘৰ কেইটামান নিৰ্মাণ কৰি উলিওৱা হ'ল। যেতিয়া চেয়াৰমেনে সদৰ কাৰ্য্যালয় তালৈ নিবলৈ নিৰ্দেশ দিলে তেতিয়া শ্ৰমিক ইউনিয়নে নাৰেঙ্গীত নিম্নতম প্ৰয়োজনীয় সুবিধা নাই বুলি যাবলৈ অমান্তি হ'ল। অৱশেষত আগষ্ট মাহত

চেয়াৰমেনে নিজৰ চীফ চিকিওৰিটি বিষয়াৰ কাৰ্য্যালয় তালৈ নিয়ে। লগত গ'ল বিষয়া আৰু কৰ্মচাৰীকে ধৰি ৫০ জন লোক। কৰ্মচাৰীসকলক অনা নিয়া কৰিবৰ বাবে ৬২০ টকা হাৰত ৰাজ্যিক পৰিহবন নিগমৰ পৰা এখন বাছ বন্দোবস্ত কৰা হৈছে। মাহেকত গড়ে ২৫ দিন কাৰ্য্যালয় চলে বুলি ধৰিলে খৰছ হব ১৫ হেজাৰ ৫ শ টকা। বছৰে ২ লাখ ৯১ হেজাৰ টকা ঘৰ ভাৰাৰ বাবদ ৰাহি কৰিব খুজিছিল, ২ লাখ ৮০ হেজাৰ টকা, এতিয়া অকল বাছৰ বাবদ খৰছ হৈছে ২ লাখ ৯১ হেজাৰ টকা। ইয়াৰ উপৰি বিষয়াক অনা-নিয়া কৰা, ডাক অনা-নিয়া কৰা আৰু পুলকাৰ আছেই।

জৱাহৰ নগৰত হোৱা কংগ্ৰেছ অধিবেশনত বৈদ্যুতিক কৰণৰ বাবে ৩৪ লাখ টকাৰ মূল্যৰ বৈদ্যুতিক সা-সামগ্ৰী যোগান ধৰা হৈছিল। অধিবেশনৰ বাবে এখন সুকীয়া আঁচনি তৈয়াৰ কৰা হৈছিল। বৈদ্যুতিক সা-সামগ্ৰী কিনাৰ বাবদ যি ৩৪ লাখ টকা খৰছ হৈছিল, তাক অইন এখন আঁচনিত খৰছ কৰা হল বুলি দেখুৱাবলৈ চেষ্টা চলিছে। বিদ্যুত বোৰ্ডৰ নিয়মমতে কোনো অনুষ্ঠানক বিদ্যুত যোগান ধৰিবলৈ হলে আগতীয়াকৈ টকা জমা লোৱাৰ নিয়ম। কিন্তু কংগ্ৰেছ অধিবেশনৰ সময়ত এই নিয়ম উলঙ্ঘা কৰা হৈছিল। কোনো ক্ষেত্ৰত বিজুলী খুটাৰ পৰা পোনে পোনে সংযোগ দিয়া হৈছিল। মিটাৰৰ ব্যৱস্থা নাছিল। ফলত এইদৰে যোগান দিয়া বিজুলীৰ কোনো হিচাব নাই। নিউ ফিল্ডত অনুস্থিত যুৱক কংগ্ৰেছৰ অধিবেশনৰ বাবদ পাব লগা টকা বোৰ্ডে আজিলৈকে পোৱা নাই। বিভিন্ন ঠাইত পৰি থকা যন্ত্ৰ-পাতিৰ জৰীপ কৰি কোনো তালিকা প্ৰস্তুত কৰা হোৱা নাই। কাহিলীপাৰাত বোৰ্ডৰ ডুখন ট্ৰেন থকা স্বত্বেও ৩৫ লাখ টকা খৰছ কৰি বঙাইগাঁৱৰ চালাকাটি প্ৰকল্পৰ বাবে ডুখন ট্ৰেন কিনা হল। ৩০ ল্যাখ টকাৰ অধিক মূল্যৰ ট্ৰেন্সফৰ্মাৰ অব্যৱহৃত হৈ পৰি আছে। নামৰূপৰ চিভিল সংমণ্ডলত ১ লাখ ৩২ হেজাৰ টকাৰ মূল্যৰ চিমেণ্ট এনেয়ে নষ্ট হৈ গ'ল। ৫০ টন বিদ্যুতবাহী তাঁৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। এই ক্ষতিৰ পৰিমাণ ২ লাখ টকাৰ ওপৰত হব। ১৯৭৬ চনৰ জানুৱাৰীত বৰ্ডে বোকাজান আৰু ডিমাপুৰত ২৫ কিলোমিটাৰ দ দৈৰ্ঘ্যৰ বিদ্যুত লাইন নিৰ্মাণ কৰিবলৈ নিবিদা আহ্বান কৰে। বোৰ্ডে উক্ত লাইনৰ বাবে কোনো চাৰ্ভে কৰা নাছিল।

সৰ্বমুঠ ২৪ টা কোম্পানীয়ে নিবিদা দিয়ে। সৰ্বনিম্ন নিবিদা দিয়া ১ম, ২য় ৩য়, কোম্পানীক অগ্ৰাহ্য কৰি কলিকতাৰ এটা কোম্পানীক কামৰ দায়িত্ব দিয়ে। এই কোম্পানীটোৰ নিবিদাখন ৩৩ লাখ ৫০ হেজাৰ টকাৰ আছিল আৰু আনবিলাকতকৈ এই নিৰিখ বহুত উৰ্দ্ধত আছিল। কাম আৰম্ভ হোৱাৰ আগতে গোলাঘাটৰ কাৰ্য্যবাহী অভিযন্তাই জনালে যে উক্ত লাইনৰ ৯ কিলোমিটাৰ কাম আগতেই হৈ আছে। গতিকে বাকী থাকিল ১৬ কিলোমিটাৰ। যদি ২৫ কিলোমিটাৰৰ বাবে ৩৩ লাখ ৫০ হেজাৰ হয় তেনেহলে ১৬ কিলোমিটাৰত সমানুপাতিক হাৰত ২১ লাখ ৪৪ হেজাৰ টকা ব্যয় হব লাগে। কিন্তু বোৰ্ডে এই কোম্পানীটোক ২৪ লাখ টকা দিলে। উক্ত মূল্যৰ ওপৰত ২০ শতাংশ হিচাবে অতিৰিক্ত ৫ লাখ টকা দিলে। এই টকা দিয়াৰ পিছত ১৯৭৬ চনৰ ১২ আগষ্ট তাৰিখে বহা বোৰ্ডৰ সভাত সিদ্ধান্ত ললে—“উপৰোক্ত হাৰৰ যুক্তি-যুক্ততা দেখুৱাই কাৰিকৰী বিষয়াসকলে এটা টোকা যুগুত কৰিলে।”

মই আগতেই উল্লেখ কৰিছিলো যে এই লাইনৰ বাবদ চাৰ্ভে হোৱা নাছিল। কিন্তু এই কোম্পানীটোক চাৰ্ভেৰ বাবেও অতিৰিক্ত ডেৰ লাখ টকা দিয়া হল। কামৰ আগতে জৰীপ নহল কামৰ পিছতহে জৰীপ হ’ল।

মই এতিয়া গ্ৰাম্য বৈদ্যুতিকৰণৰ কথা কব বিচাৰিছো। গাওঁত বিদ্যুত যোগান ধৰিব পাৰিলে আমাৰ অৰ্থনৈতিক জীৱন নতুনকৈ গঢ়িব পাৰিম। অসমত বিদ্যুত উৎপাদন কম। ইয়াৰ ব্যৱহাৰো কম। ভাৰতত জনমূৰী ১২৯ কিলোৱাট বিদ্যুত ব্যৱহাৰ কৰাৰ বিপৰীতে অসমত জনমূৰী মাত্ৰ ২৮ কিলোৱাট ব্যৱহাৰ কৰা হয়। অসমৰ ২১,৯১৫ খন গাওঁৰ ভিতৰত ১৯৭৭ চনৰ মাৰ্চ মাহলৈকে ২৫৮৩ খন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে। ই আমাৰ সৰ্বমুঠ গাওঁৰ ১০ শতাংশ। হাৰিয়ানা পঞ্জাবত এশ শতাংশ। আনকি কেৰেলাটো ৯০ শতাংশ। জলসিঞ্চনৰ বাবে বিদ্যুত যোগান অতিশয় প্ৰয়োজনীয়। যোৱা বছৰ অসমত ব্যৱহাৰ হোৱা ৪০০ নিযুত কিলোৱাটৰ কেবল ২ নিযুত কিলোৱাট জলসিঞ্চনত ব্যৱহাৰ হয়। অৰ্থাৎ অসমত মুঠ বিদ্যুত শক্তিৰ শতকৰা ০·৫ ভাগহে ব্যৱহাৰ হৈছে।

এতিয়ালৈকে বিজুলী সৰবৰাহ সম্পূৰ্ণ কৰা আঢ়ৈ হেজাৰ গাওঁৰ ভিতৰত এহেজাৰ খনত বিদ্যুত শক্তিৰ কোনো ধৰণৰ উদ্যোগিক ব্যৱহাৰ হোৱা নাই। বহুত ঠাইত খুটাৰ পৰা বিজুলী নামি ঘৰ সোমাবকে পৰা নাই। ইয়াৰ মূল কাৰণ হল যে গাওঁবিলাকৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি বিজুলী সৰবৰাহৰ ব্যৱস্থা কৰা হোৱা নাই। কিছুমান সুবিধাভোগী ব্যক্তিৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে কৰা হৈছে। ১৯৭৬-৭৭ চনৰ বাজেট বক্তৃতাত মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল যে "গ্ৰাম্য বৈদ্যুতিকৰণৰ ক্ষেত্ৰত ইয়াৰ নিৰ্দ্ধাৰিত লক্ষ্য ৭০০০ খন গাৱঁৰ বৈদ্যুতিকৰণৰ কাম পঞ্চম পৰিকল্পনাৰ শেষত সম্পূৰ্ণ কৰাটো সুনিশ্চিত কৰিবৰ বাবে ইয়াৰ কাৰ্য্য প্ৰক্ৰিয়া সংশোধন কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। দুই হেজাৰ গাৱঁত বিজুলী সৰবৰাহ কৰোতে ১৩ বছৰ লাগিল। এইটো গতিত সাত হেজাৰ গাৱঁত বৈদ্যুতিকৰণ সম্পূৰ্ণ কৰিবলৈ ৪৫ বছৰ লাগিব। অৱশ্যে এতিয়া বোৰ্ডৰ কৰ্মক্ষেত্ৰ সম্প্ৰসাৰিত হৈছে আৰু কৰ্মীৰ সংখ্যা বাঢ়িছে সেই ফালৰপৰা এই সময়চোৱা কমাই আনি ২০ বছৰত কৰিব পাৰি। কিন্তু পৰিকল্পনাৰ কালছোৱাত অৰ্থাৎ ৫ বছৰৰ ভিতৰত ৭ হেজাৰ গাৱঁত বৈদ্যুতিকৰণৰ যি লক্ষ্য ধাৰ্য কৰা হৈছে সি পৰিকল্পনা বিলাসী মনৰ অবাস্তৱ আঁচনি।

চলিত বছৰত গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে লক্ষ্য ধাৰ্য কৰা হৈছিল দুই হেজাৰ-খন গাৱঁৰ। কিন্তু দুই হেজাৰখন গাওঁৰ লক্ষ্যৰ বিপৰীতে কেৱল ১৯৮ খন গাৱঁৰ বাবেহে আঁচনি তৈয়াৰ কৰা হৈছে। ইয়াৰ আৱশ্যম্ভাবী পৰিণতি কেন্দ্ৰৰ পৰা পোৱা ৪৭ কোটি টকাৰ বেছিখিনিয়েই ঘূৰাই দিব লাগিব।

অসমক নিশ্চিত বিদ্যুত সংকটৰ পৰা ৰক্ষা কৰিবলৈ বিদ্যুত শক্তিৰ উৎপাদন বহুগুণে বৃদ্ধি কৰিব লাগিব। ইয়াকে নকৰিলে উদ্যোগিক আৰু কৃষি বিকাশৰ পথ বন্ধ হৈ যাব। এইখিনিতে উল্লেখ কৰিব খোজো যে ১৯৭৩-৭৪ চনৰ বাজেটত চন্দ্ৰপুৰ দ্বিতীয় গোটৰ বাবে টকা ধাৰ্য্য কৰা হৈছিল। এতিয়ালৈকে তাৰ কাম আৰম্ভ নহল। এইটো সম্পূৰ্ন হলে নামনি অসমত কিছু কিছু পৰিমাণে হলেও সকাহ পোৱা যাব।

লাকুৱা প্ৰকল্পৰ বাবে পূৰ্বতে নিশ্চিত নোহোৱাকৈ বন বিভাগৰ মাটিত স্থান নিৰ্দ্ধাৰণ কৰি তাৰ ভিত্তিত প্ৰজেক্ট কৰি পট আৰ্হি পৰিকল্পনা প্ৰস্তুত কৰা

হ'ল। পিছত বন বিভাগে সেই মাটি দিবলৈ অমান্তি হোৱাত প্ৰকল্পৰ স্থান সলনি কৰিব লগা হল। ইয়াৰ ফলত প্ৰাৰম্ভিক কামখিনি কৰোতে বহুত পলম হৈ গল আৰু অধিক টকাও খৰছ হল।

১৯৭৬-৭৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ সৰ্ব্বমুঠ ১৭২ কোটি টকাৰ ভিতৰত বিদ্যুতৰ কাৰণে ২৭ কোটি টকা ধাৰ্য্য কৰা হৈছিল। অৰ্থাৎ বিদ্যুতক বাদ দি অন্যান্য খৰছৰ বাবে আছিল, যেনে—শিক্ষা, স্বাস্থ্য, জলসিঞ্চন আদিৰ কাৰণে ৪৫ কোটি টকা। ১৯৭৭-৭৮ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ১০৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে ভিতৰত বিদ্যুতৰ বাবে ৪৯ কোটি টকা আৰু অন্যান্য খণ্ডৰ বাবে ৫৫ কোটি টকা। বিদ্যুতৰ ক্ষেত্ৰত অকল এটা বছৰত ২৭ কোটি টকাৰ পৰা ৪৯ কোটিলৈ অৰ্থাৎ ২২ কোটি বৃদ্ধি পাইছে। অন্যান্য খণ্ডৰ ক্ষেত্ৰত ৪৫ কোটিৰ পৰা ৫৫ কোটিলৈ অৰ্থাৎ কেৱল মাত্ৰ ১০ কোটি টকা বৃদ্ধি পাইছে। আমি আশা কৰিছোঁ এই টকাখিনি যাতে যথোপযুক্তভাবে ব্যৱহাৰ হয়। তাকে কৰিবলৈ হলে ৰাজ্যিক বিদ্যুত বোৰ্ডৰ সংগঠনত পৰিবৰ্তনৰ প্ৰয়োজন। অভিজ্ঞ আৰু সুদক্ষ লোকৰ নেতৃত্বত সুসংগঠিত পৰিচালনা ব্যৱস্থা প্ৰবৰ্তন কৰিব লাগিব। এই ব্যৱস্থা বিলাক প্ৰবৰ্তন কৰিবলৈ চৰকাৰে কিমান গুৰুত্ব দিয়ে তাৰ ওপৰতে নিৰ্ভৰ কৰিছে অসমৰ অৰ্থনৈতিক উন্নয়নৰ ভবিষ্যত।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিছাৰিছো যে বিদ্যুত বোৰ্ডৰ মিটাৰ আছেনে নাই ? মিটাৰ আছেনে নাই এই কথাটো আমি আজি ডেৰ বছৰমানৰ পৰাই শুনিবলৈ পাই আহিছো। ইয়াৰ লগতে আৰু এটা কথা হৈছে যে লাইন টানিবলৈ যিবিলাক খুটা আনে সেইবিলাক বোলে আজি ডেৰ বছৰমানৰ পৰাই নাই ? এইবিলাক কথা হয় নেকি ? মই এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিচো।

* শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (বিদ্যুৎ বিভাগৰ মন্ত্ৰী ) ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিবিলাক প্ৰশ্ন ইয়াত কৰিছে সেইবিলাকৰ উত্তৰ মই আনিব পৰা নাই। এইবিলাক প্ৰশ্ন উঠিব বুলি মই ভবাই নাছিলো। মই বিদ্যুতৰ সম্পৰ্কত কব বিচাৰিছো। এইটো আচলতে ব্যৰ্থ নহয় কিন্তু অৱস্থা বেয়া। কেনেকৈ বেয়া হৈছে, সেই বিষয়ে কবলৈ হলে দীঘলীয়া হব। আৰু মাননীয় সদস্যসকলে যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেইবিলাক আমি গ্ৰহণ কৰিছো আৰু সেইবিলাক কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিম। মই মোটামোটিভাবে এটা ষ্টেটমেণ্ট তৈয়াৰ কৰি আনিছো। মই এতিয়া এইটো পঢ়ি দিব বিচাৰিছো।

The Assam State Electricity Board was constituted in the year 1958, under the Electricity Supply Act, 1948, for generation, transmission and distribution of Power in the State. Since the Board had an access to the excellent Hydel potential of what is now Meghalaya, the system was based on a good Hydel Thermal mix and consequently was in a very good position to develop power generation to meet the growing power requirements of the region. With the bifurcation of the Board into the present Assam State Electricity Board and the Meghalaya State Electricity Board on 21st January 1975, the Hydel potential created by the Composite Board all fell in Meghalaya and Assam was left only with a 69 MW Thermal Power Station at Namrup and another 30 MW Thermal Power Station at Chandrapur. Under an agreement with the Govt. of Meghalaya, MSEB agreed to supply power to Assam from the Hydel generating Stations in Meghalaya in the following manner.

---

* Speech Not Corrected.

| Year | ( Power to be supplied to Assam by MSEB ( in MW ) |
|---|---|
| 1975-76 | 129·62 |
| 1976-77 | 81·44 |

In the meantime, demand for power has been rising in the state at a considerable pace. The demand was very low at one time. For a variety of reasons it picked up has been on the increase ever since. It is estimated that the demand for power in the State by 1983-84 will be of the order of 664 MW. Demand by the end of the 5th plan itself is estimated at 330 MW. As against this the present generating capacity of the Board is as follows :

1. Namrup T.P.S. =99·00 MW
   3 × 23 + 1 × 30
2. Namrup Gax Turbine =12·5 MW
   12·5 MW
3. Chandrapur T.P.S. =30 MW
   1 × 30

141·50 MW

30 +
12·5
42 5

A generating Capacity of 42·5 MW has thus been created in Assam since the bifurcation of the erestwhile composite ASEB. In addition, the ASEB has taken up implementation of the following projects.

| | | |
|---|---|---|
| a) | 2 × 60 MW Bongaigoan T.P.S. (to be commissioned in 1979-80) | 120 MW |
| b) | 3 × 15 MW Lakwa P.T.S. (to be commissioned in 1979) | 45 MW |
| c) | 1 × 22 MW Waste Heat Project at Namrup (to be commissioned in 1980) | 22 MW |
| | | 187 MW |

New Power Projects require prior approval of Government of India and the Planning Commission. For determining the power requirement of each region in the Country, the Government of India conducts annual Power surveys. The last Annual Power Survey (tenth) of Government of India has fixed the projected demand for Power in Assam in 1983-84 at 418 MW. This is much below our own forest of 664 MW of power which will be required by the State in 1983-84. Assam has accordingly represented to the Government of India to revise their forecast. This is the most important aspect of Power Planning since Govt. of India's approval to different power projects will be determined by the parameter of requirement of power in this region. It is expected that Government of India will accept our view and revise their forecast to enable this Take to plan for power in consonance with its requirements.

The Power situation in the State of Present is admittedly bad. This situation has been created partly owing

to delay in the commissioning of Loktok Hydel project in Manipur. We were expecting to received 16 MW of power from this project in 1977-78 and 30 MW in 1978-79. Due to the delay in the project completion, it has now become doubtful if we shall be able to get power from this project even during the 6th Five year plan period. The development of power inside Assam has been restricated by the fact that the Hydel potential of Assam is extremely limited. Assam Coal which could be a source of power generation on a large scale has been found unsuitable for power generation into the existing boiler design of Bharat Heavy Electricales Ltd. ASEB is erecting a Thermal Station at Bongaigaon based on coal from Bihar Coal-field, but owing to difficulties in assured regular supplies of coal from outside the State; transport bottlenecks etc. power generation on outside coal has also limited possibilities. The remaining two sources of power generation, viz, Furnace Oil and Natural Gas, from the only sources of power generation in the State at present. Large scale power generation cannot, however, be based on either of the two.

Future programmes of power development have to aim at creating a good mix of Hydel power and Thermal Power (based on coal) in the State Hydel potential in the state being Limited, development of Hydel Power in other states and union teritories of the region is very important to Assam. Loktok Hydel Project in Manipur

and Kopili Hydel Project undertaking by the NEEPCO are two Hydel projects from which Assam is expecting to receive a considerable quantity of Hydel power in future.

ASEB has identified a Hydel Project in the Karbi Anglong district of Assam, called the Borapani Hydel Project. The Project Report has been prepared and submitted to Government of India for their approval. The Project has not so far been approved by the Govt. of India, probably because of an objection from the Govt of Meghalaya that the location of the Project is a disputed area between Assam & Meghalaya. This problem is expected to be sorted out soon between Chief Minister of the two States and it is hoped that work on this Project can start during the sixth plan.

Regarding Thermal power, based on coal, ASEB has preapared another Project on a 3×60 MW Extension of the 2×60 MW Bongaigaon Project presently under construction. This project will also be based on Bihar Coal. Because of the favourable location of Bongaigaon from the point of view of rail transport and the infrastructure already created for the existing Bongaigaon Project under construction, it is felt that the Extension Project can be take up without any difficulty. If the Government of India approve this project, the first unit of the Extension Project may be commissioned in 1981-82.

The latest thinking in the Country is towards locating large Thermal Stations near the doal-fields themselves. ASEB prepared a project of this nature, namely, Borgolai Thermal Projects, based on Coal from Borgolai coal field in Upper Assam, in the year 1973. The project was not approved by the Government of India because doubts were expressed regarding the suitability of Assam coal for power generation. Assam coal has a very high sulpher content and it was folt that it may not be suitable for use in the boiler. Government of India constituted an expert Committee to go into the matter. The Committee recomended that Assam coal can be used in Thermal Power generation with a modified boiler design. M/S BHEL have indicated that they will be able to manufacture such a modified boiler. M/S BHEL were commissioned to prepare a project Report on the Borgolai Project. They have submitted a Project Report for a 2 × 30 MW Thermal Station in Nov/1977. The Project Report will now be sent to Government of India for their approval.

Another Project Report on a 1 × 30 MW Extension project at Chandrapur TPS is also ready.

The three projects under construction (Bongaigaon Thermal Power Station, Lakwa Thermal Power Station and Waste Heat Project at Namrup) will create an additional generating capacity of 187 MW by 1980. The power situation from 1980-81 onwards is expected to be

more comfortable. It the four Power Generation projects already identified are approved by Govt. of India, we may expect to keep pacs with our growing demand for power.

**Financial Working of Assam state Electricity Board :**

The contingent liability transferred to the Assam State Electricity Board after bifurcation of the composite ASEB, along with other assets & Liabilities, worked out as under.

| | | |
|---|---|---|
| i) Interest on Govt. loan | : Rs. | 2248·85 lakhs. |
| ii) Arrear Depreciation | : Rs. | 108·27 lakhs. |
| Total | : Rs. | 2357·12 lakhs. |

The financial position of the Board has improved since bifurcation It has been able to cover its arrear depreciation and brought the Depreciation Account up to date. It will also be in a position to start payment of interest on loans advanced by the State Govt., from 1977-78.

The total operating revenue of the Board recorded an increase of Rs. 773·17 lakhs during 1976-77 mainly due to tariff increase and Rs. 105·90 lakhs during 1977-78 at way of normal growth. The operating expenses during the years also recorded an increase by Rs. 492.22 lakhs

during 1976-77 and Rs. 62·00 lakhs during 1977-78. This increase is mainly due to increase in DA and general rise in the cost of stores and equipment during the years

Section 67 of the Electricity (Supply Act, 1948 lays down that the interest on Govt. loan which is the last item in the list of priorities should be provided to the extent surplus is available after meeting the other items of liabilities mentions therein. Hence no interest could be paid to the State Govt. during 1975-76 and 1976-77. In any case, this enabled the Board to utilise their revenues towards the normal growth which otherwise would have slowed down. In the year 1977-78 there is an estimated surplus of Rs. 95·00 lakhs after meetting the other items of libilities and hence Rs. 95·00 lakhs could be paid towards interest on Govt. loan during the year. The interest on State Govt. loan as on 31.3.76, 31.3.77 and 31.3.78 works out to Rs. 2499·08, 2748·06 and 3155·06 lakhs respectively.

Contingent liabilities on account of arrear depreciation as on 31.3.75 amounted to Rs. 117·08 lakhs with interest thereon vide Section 68 of the Electricity (Supply) Act, 1948, out of which an amount of Rs. 8·12 lakhs has been set off out of the available revenue surplus in 1975-76 bringing down the arrear depreciation to Rs. 108·96 lakhs on 31·3.76. The balance of Rs. 108·96 lakhs

could be fully met from the revenue surplus of 1976-77 bringing the balance to nil as on 31.3.77

**Capital Amount.**

The financial structure of the Board is built up mainly out of loan capital. The sources are—

1. Loan from the State Govt.
2. Market borrowing by issue of Bonds.
3. Loan from L.I.C.
4. Loan from R.E.C.

**III. Reports of Inquiry Commission on ASEB and Enquiry committee of the House.**

1. Government of Assam by its Notification No. PEL. 14/68/66 dated 6th December, 1968, constituted an Inquiry Commission to go into the working of the Assam State Electricity Board with the following :—

1. Shri P. C. Borooah, Ex M.P. ... ... Chairman.
2. Shri J. N. Bhuyan, M.L.A. ... ... Member.
3. Shri K. A. Dave, member (U) ... ... ... C.W. and P.C. ... ... ... ... Member.
4. Shri Harbans Lal, Sr. Deputy ... ... ... Accountant General, Assam and Nagaland. Member.

5. Shri N. K. Rustomji, I.C.S. Additional Chief Secretary, Government of Assam. ... Secretary.

The terms of reference were—

i) To review the performance of the Board particularly in relation to the past and present programmes, the time taken, the expenditure anticipated and actually incurred in various projects, the proper utilization of funds and the possibilitiy or otherwise of any expenditure considered excessive or unnecessary.

ii) The organisational set-up of the Board in the civil and Electrical Wings and any change considered necessary in the set-up.

iii) Capital set-up of the Board its distribution and sales arrangements and the nature of its profitability.

iv) Financial position of the Board and steps that may be taken to improve it.

2. The Commission submitted its report in two parts in May and June, 1971. On 25th September, 1972 the Assam Legislative Assembly by a resolution constituted a Committee to go in to the various findings of the Inquiry Commission. The Committee was constituted with the following :—

**chairman :—**

1. Shri Bijoy Krishna Handique, M.L.A.

**MEMBERS**

2. Shri Kshirode Chandra Saikia, M.L.A.
3. Shri Lila Kanta Das, M.L.A.
4. Shri Dulal Chandra Khound, M.L.A.
5. Shri Nagendra Barua, M.L.A.
6. Shri Premadhar Bora, M.L.A.
7. Shri Hiranya Bora, M.L.A
8. Shri Gunendra Nath Pandit, M.L.A.

**Secretariate :—**

Shri P. D. Barua, Secretary.

The Committee submitted its report in two parts in June '73 and August '74 respectively.

3. Both the Commission and the Committee were constituted to look in to the affairs of the erstwhile composite ASEB. After the submission of the Reports, the old ASEB has been bifurcated between the Assam State Electricity Board and the Meghalaya State Electricity Board, with effect from 21.1.75. The bifurcation has changed the complexion of the whole subject matter of the two Inquiries. Many of the subjects covered in the Inquiries have now come under the jurisdiction of the ASEB. The bifurcation of assets liabilities, staff etc. has still not been completed finally. As a result, things are still in flux and it has not been possible for the Govt

to finalise action on the Reports in their entirely. The Reports are consideration of the Govt. and findings and recommendations relating to the present ASEB will de taken up for suitable action by the Govt. shortly.

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :—উপাধ্যক্ষ মহোদয়, মই এটা দৰকাৰী কথা ক'ব খুজিছোঁ। আমাৰ এই সদনৰ তদন্ত কমিটিয়ে তেওঁলোকৰ প্ৰতিবেদন ৰিপ'ৰ্ট দাখিল কৰিছে ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহত। এতিয়া মন্ত্ৰী মহোদয়ে কৈছে যে, অসম আৰু মেঘালয়ৰ মাজত বোৰ্ড বিভক্ত হোৱাৰ কাৰণে তদন্ত কমিটিৰ প্ৰতিবেদনখন কাৰ্যকৰী কৰিবলৈ অসুবিধা হৈছে। কিন্তু বোৰ্ড সম্বন্ধে যিকেইটা পৰামৰ্শ দিছে সেই কেইটাক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগিছিল। কিন্তু কিয় ইমান দিন লৈছে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, তেখেতে যিখিনিত আপত্তি কৰিছিল তাত আমি অতিৰিক্ত মেগাৱাট দিছোৱেই যেনেকৈ নামৰূপত ১২ মেয়াৱট দিছোঁ। আৰু কমিটিৰ পৰামৰ্শমতে মুঠতে ১৮৭ মেগাৱট দিয়া হৈছে। আৰু এটা কথা তেখেতে উল্লেখ কৰিছিল। সেই সম্পৰ্কত মই কব খুজিছো যে, ডিজাইনৰ অফিচতো এতিয়া ইয়ালৈ অনা হৈছে।

## Statement By Minister.

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰকালত মই শ্ৰীবৰুৱা ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত ৰেজিষ্ট্ৰেচন আৰু চেটোলমেণ্টৰ তাৰিখ দিয়াৰ কথা কৈছিলোঁ। চেটোলমেণ্টৰ তাৰিখটো হৈছে ২৩৷৯৷৭৭ আৰু ৰেজিষ্ট্ৰেচনৰ তাৰিখ ১৭৷৯৷৭৭ (ইংৰাজী)।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—উপাধ্যক্ষ মহোদয়, ৰেজিষ্ট্ৰেচন কৰাটো বেলেগ কথা। ফৰেষ্ট বিভাগৰ লগত ৰেজিষ্ট্ৰেচন কৰা কথাটো সঁচা হয়নে নহয় ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয়, প্লাইউদৰ কুপবিলাক দিবৰ

কাৰণে ৰাজ্য চৰকাৰে সিদ্ধান্ত লোৱা হয় আৰু সেইমতে ৰেজিষ্ট্ৰেচন কৰা হয়।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—উপাধ্যক্ষ মহোদয়, এই কেইখন প্লাইউদ কুপ হয়নে নহয়?

Mr. Deputy Speaker :—I cannot allow to open the questions again simply he has given the reply.

ডাঃ সুবেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :—সেইটো প্লাইউদ কুপ আছিল—সেইটো মই আগতেই কৈছো। কিন্তু পাছত এইটো উইথ্ড্ৰ কৰি জেনেৰেল কৰা হৈছে।

Mr. Deputy Speaker :—The house stands adhourned till 10 a. m. to-morrow, Saturday, the 19th Novtmber, 1977.

## ADJOURNMENT

The House then rose at 11-40 A.M. and stood adjourned till 10 A.M. on Saturday, the 19th November, 1977.

Dated Dispur, P. D. Barua
The 18th November, 1977 Secretary
Assam Legislative Assembly

# শুধৰণী পৃষ্ঠা

18-11-77

| পৃষ্ঠা নং | শাৰী নং | ছপা হৈছে | ছপা হ'ব লাগে |
|---|---|---|---|
| 1 | 5 | house | House |
| 1 | 18 | effected | affected |
| 15 | 6 | স্পেচ | স্পেচ |
| 64 | 19 | Whic | Which |
| 65 | 13 | Satified | Satisfied |
| 90 | 9 | house | House |
| 90 | 9 | adhourned | adjourned |
| 90 | 10 | Novtmber | November |